সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০২ সংখ্যা, ২৭ পুহ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 02 Date Of Publication - 12 January 2025 Rs.10.00/-

## সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে এক বৈঠকত মিলিত মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ভোগালী বিহুৰ প্ৰাকক্ষণত ৰাজ্যিক কৰ্মচাৰী সমাজলৈ সুখবৰ। ৰাজ্যিক কৰ্মচাৰীয়ে লাভ কৰিব নগদবিহীন ৰাজ্যিক কৰ্মচাৰীৰ চিকিৎসা বীমা আঁচনি। লগতে লাভ কৰিব পুৰণি পেঞ্চন আঁচনিৰ সুবিধা। দিছপুৰত সদৌ অসম কৰ্মচাৰী পৰিষদৰে অনুষ্ঠিত বৈঠকত এই আশ্বাস মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰীৰে হোৱা বৈঠকৰ পাছত এই কথা জনালে পৰিষদৰ নেতৃত্বই। উল্লেখ্য যে দিছপুৰস্থিত জনতা ভৱন পৰিসৰৰ লোকসেৱা ভৱনৰ সভাকক্ষত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে এক বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। এই বৈঠকত কৰ্মচাৰী পৰিষদৰ বিভিন্ন দাবীৰ লগতে ৰাজ্যৰ নিষ্ঠাবান কৰ্মশক্তিৰ কল্যাণ আৰু স্বাৰ্থত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলোৱা বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। বৈঠকত ৰাজ্যৰ কৰ্মশক্তিক গতিশীল কৰাৰ লক্ষ্যৰে কৰ্মচাৰীসকলৰ আশা-আকাংক্ষা পূৰণ কৰাৰ উদ্দেশ্যে সেৱাবিধিৰ সংশোধনৰ প্ৰস্তাৱ, আপোন ঘৰ আঁচনিৰ সম্প্ৰসাৰণ, চৰকাৰী কৰ্মচাৰীৰ অৱসৰৰ বয়স আদি বিভিন্ন বিষয় আলোচনাত স্থান লাভ কৰে। ( নপৃষ্ঠাত চাওক)



সমূহ অসমবাসী ৰাইজলৈ ভোগালী বিহুৰ আন্তৰিক শুভেচ্ছা আৰু ওলগ জনালোঁ। ভোগৰ ভোগালীয়ে সকলোলৈ লৈ আহক সুখৰ সম্ভাৰ, মেজিৰ জুইত জাহ যাওঁক অপকৰ্ম, দূৰ হওঁক মানুহৰ মনৰ মলিনতা। এই পবিত্ৰ ক্ষণত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আগবাঢ়ো আহক।

## উমৰাংছ’ কয়লাখনিৰ পৰা তিনিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- উমৰাংছ’ কয়লাখনিত আবদ্ধ হৈ থকা শ্ৰমিকসকলৰ মাজৰ আৰু তিনিজনৰ মৃতদেহ উদ্ধাৰ। উদ্ধাৰ অভিযানৰ ষষ্ঠদিনা কয়লাখনিটোৰ পৰা প্ৰথমে এজন শ্ৰমিকৰ মৃতদেহ এন ডি আৰ এফ আৰু সেনাবাহিনীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তাৰ কিছু সময় পিছতেই আন দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। এতিয়ালৈ কয়লাখনিটোৰ পৰা উদ্ধাৰ হ’ল চাৰিজন শ্ৰমিকৰ মৃতদেহ। ৩০০ ফুট দ গাঁতটোৰ ৰেটহলত পানীৰ পৰিমাণ হ্ৰাস পোৱাত মৃতদেহসমূহ ওলাই অহাত অভিযানকাৰী দলে তিনিটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ হোৱা শ্ৰমিককেইজন ( নপৃষ্ঠাত চাওক)

## অসমত এইচ এম পি ভিৰ প্ৰথমটো ঘটনা চিনাক্ত




ৰঙিলী বাৰ্ত্তাসেৱা- ক’ভিড ভয়াবহতাৰ পাছত দেশত পুনৰ প্ৰাদুৰ্ভাৱ ঘটিছে এইচ এম পি ভি ভাইৰাছ । ক’ভিডৰ দৰে এই ভাইৰাছ ভয়ংকৰ নহয় বুলি চিকিৎসা বিশেষজ্ঞ সকলে দাবী কৰিছে যদিও ক্ৰমাৎ এই এইচ এম পি ভি ভাইৰাছত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। এইবাৰ অসমত ধৰা পৰিছে প্ৰথমটো এইচ এম পি ভি আক্ৰান্ত ৰোগী। দেশৰ কেইখনমান ৰাজ্যত ইতিপূৰ্বে এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ৰোগী চিনাক্ত হোৱাৰ পাছত দেশজুৰি এলাৰ্ট জাৰি কৰাৰ পাছত অসমত এই ভাইৰাছত আক্ৰান্ত ৰোগী ধৰা পৰিছে। জানিব পৰা অনুসৰি এই এইচ এম পি ভি ভাইৰাছত আক্ৰান্ত হৈছে লখিমপুৰৰ এটি ১০মহীয়া শিশু। সম্প্ৰতি ১০মহীয়া এই শিশুটি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। শিশুটি বিপদমুক্ত বুলি মেডিকেল কৰ্তৃপক্ষৰ পৰা সদৰী কৰি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই সংবাদ মাধ্যমৰ আগত কয় যে যোৱা ৮ জানুৱাৰীত এই এইচ এম পি ভি ভাইৰাছত আক্ৰান্ত হোৱা লখিমপুৰৰ এটি শিশু অসম মেডিকেল কলেজত ভৰ্তি হৈছিল। প্ৰথমাৱস্থাত শিশুটিৰ স্বাস্থ্যৰ ( নপৃষ্ঠাত চাওক)

## ২০২৪ বৰ্ষত বিশ্বজুৰি উষ্ণতাৰ অভিলেখ স্থাপন



ৰঙিলী বাৰ্ত্তাসেৱা- পৃথিৱীৰ ইতিহাসত ২০২৪ বৰ্ষ হৈছে সবাতোকৈ উষ্ণতম বৰ্ষ। প্ৰাক্- ঔদ্যোগিক কালৰ পিছত প্ৰথমবাৰৰ বাবে কেলেণ্ডাৰ বৰ্ষত পৃথিৱীত ১.৫ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰা বৃদ্ধি পাইছে। ইউৰোপীয় সংঘৰ পৃথিৱী পৰ্যবেক্ষণ কাৰ্যসূচীৰ ক’পাৰনিকাছ জলবায়ু পৰিৱৰ্তন সেৱাই প্ৰকাশ কৰা প্ৰতিবেদন মতে, পৃথিৱীৰ ইতিহাসত ২০২৪ বৰ্ষটো সবাতোকৈ উষ্ণতম বৰ্ষ। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলশ্ৰুতিত জলবায়ু পৰিৱৰ্তন প্ৰতি ক্ষণে ক্ষণে প্ৰত্যাহ্বানমূলক হৈ আহিছে। মানবসৃষ্ট সেউজগৃহ গেছ নিৰ্গমনৰ বাবে গোলকীয় উষ্ণতা বৃদ্ধি পাই আছে। শূন্য নিৰ্গমনক লৈ বিশ্বৰ সৰ্বোচ্চ সংস্থা ৰাষ্ট্ৰসংঘই ( নপৃষ্ঠাত চাওক)

# ৰাজ্যত পুনৰ অনুষ্ঠিত হ'ব শিক্ষক নিযুক্তি প্ৰক্ৰিয়া



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যত পুনৰ অনুষ্ঠিত হ'ব শিক্ষক নিযুক্তি প্ৰক্ৰিয়া। শিক্ষা বিভাগত নতুনকৈ আৰু ৪,৫০০টা শিক্ষক পদত নিযুক্তি হ'ব। সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চৰ ভিতৰত প্ৰাৰ্থীসকলে অনলাইনযোগে আবেদন কৰিব পাৰিব। dee.assam.gov.inত প্ৰাৰ্থীসকলে আবেদন কৰিব লাগিব। এই সন্দৰ্ভত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লিখিছে, "আন এক সুখবৰ। ২০২৬ চনৰ ভিতৰত আমাৰ ১.৫ লাখ চৰকাৰী চাকৰিৰ লক্ষ্য পূৰণৰ দিশে আগুৱাই আমি শীঘ্ৰেই ৰাজ্যত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষকৰ ৪, ৫০০ পদৰ বাবে নিযুক্তি মুকলি কৰিবলৈ গৈ আছোঁ। আবেদন প্ৰক্ৰিয়া ১৫ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ dee.assam.gov.in মুকলি কৰি দিয়া হ'ব।" উল্লেখ্য যে যোৱা বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপি দলে চৰকাৰ গঠন কৰিলেই এক লাখ নিবনুৱা যুবক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। চৰকাৰে ইতিমধ্যে সেই প্ৰতিশ্ৰুতি পূৰণ কৰি এক লাখৰ সীমা অতিক্ৰম কৰাই নহয়, এতিয়া ডেৰ লাখৰ সংখ্যা স্পৰ্শ কৰাৰ দিশে অগ্ৰসৰ হৈছে। আনকি, অহা ১০ মে'ৰ পূৰ্বে ৰাজ্যখনত নতুনকৈ প্ৰায় ৩৫ হাজাৰ পদত নিযুক্তি হ'ব।

# মিছ ইণ্ডিয়া পোলেণ্ড ২০০৪ৰ অসম কন্যা অনুৰাধা ৰায়ৰ মিছ ইণ্ডিয়া নিউইয়ৰ্ক যাত্ৰা




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ অনুৰাধা ৰয়ে শেহতীয়াকৈ মিছ ইণ্ডিয়া পোলেণ্ড ২০২৪ খিতাপ দখল কৰাৰ পিছত এই বছৰ নিউ ইয়ৰ্কত অনুষ্ঠিত হব লগীয়া বিশ্বজনীন মিছ ইণ্ডিয়া ৱৰ্ল্ড ৱাইড নিউ ইয়ৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যে গুৱাহাটী প্ৰেছক্লাবত অনুষ্ঠিত এক সংবাদ মেলত অনুৰাধাই সৌন্দৰ্য্য খণ্ডত নিজ যাত্ৰাৰ বিষয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে পোলেণ্ডত বাস কৰা ভাৰতীয়সকলৰ বাবে ইণ্ডিয়া পোলেণ্ড মহিলা ফেডাৰেচন আৰু ৰাজভি ইভেণ্টছৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সৌন্দৰ্য্য প্ৰতিযোগিতাত অনুৰাধাই প্ৰথম ভাৰতীয় হিচাপে এই খিতাপ লাভ কৰিছিল। অনুৰাধাই পোলেণ্ডৰ ৱাৰ্ছ'ত অনুষ্ঠিত একেখন প্ৰতিযোগিতাতে মিছ ফটোজেনিক খিতাপো লাভ কৰিছিল। ২৭ বছৰীয়া অনুৰাধাই এই প্ৰতিযোগিতাৰ বাবে প্ৰাৰম্ভিক বাচনিৰ স্ক্ৰীনিং পৰ্যায়ত ৪০০ গৰাকীতকৈ অধিক প্ৰতিযোগীৰ মাজৰ পৰা নিৰ্বাচিত কৰাৰ উপৰি ১৬ গৰাকী চূড়ান্ত প্ৰতিযোগীৰ মাজত এই খিতাপ লাভ কৰে। অনুৰাধাই গুৱাহাটীৰ খানাপাৰা কেন্দ্ৰীয় বিদ্যালয়ত মাধ্যমিক শিক্ষা আৰু আৰ্মি পাব্লিক স্কুল নাৰেংগীৰ পৰা মানৱীয়তা (Humanities) বিষয়ত উচ্চতৰ মাধ্যমিক শিক্ষা সমাপ্ত কৰে। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা মনোবিজ্ঞানত অনাৰ্ছৰ সৈতে স্নাতক ডিগ্ৰী লাভ ( নপৃষ্ঠাত চাওক)

# গুৱাহাটীত পুনৰ যুৱতীৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী মহানগৰীত পুনৰ যুৱতীৰ মৃতদেহ উদ্ধাৰ। মহানগৰীৰ ৰুক্মিনী গাঁৱত যুৱতীৰ মৃতদেহ উদ্ধাৰ। বিছনাত শুই থকা অৱস্থাত উদ্ধাৰ যুৱতীগৰাকীৰ মৃতদেহ। ৰুক্মিণীগাঁও ৰংগমঞ্চ পথৰ হাউছ নং ৮ত উদ্ধাৰ যুৱতীগৰাকীৰ মৃতদেহ। মৃত যুৱতীগৰাকী গোৱালপাৰাৰ বিপ্লৱী নাথ। ডেৰমাহ পূৰ্বে ৰুক্মিণীগাঁৱত ভাৰাঘৰ লৈছিল বিপ্লৱীয়ে। এখন ব্যৱসায়িক প্ৰতিষ্ঠানত চাকৰি কৰাৰ উপৰিও ( নপৃষ্ঠাত চাওক)

# আয়াৰলেণ্ডৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ ভাৰতৰ




ৰঙিলী বাৰ্তাসেৱা- ৰাজকোটত আয়াৰলেণ্ডৰ বিপক্ষে অনুষ্ঠিত প্ৰথমখন এদিনীয়া মেচত সহজ বিজয় সাব্যস্ত কৰিলে ভাৰতীয় মহিলা দলটোৱে। মেচখনত ভাৰতে সহজেই ৬ উইকেটত জয়লাভ কৰি তিনিখনীয়া মেচৰ শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰে। মেচখনত আয়াৰলেণ্ডে জয়ৰ বাবে বান্ধি দিয়া ২৩৯ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰতিকা ৰাৱাল আৰু তেজাল হাছাবনিছৰ দৰ্শনীয় অৰ্ধশতকৰ সহায়ত ভাৰতে ৩৪.৩ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। প্ৰতিকাই ৮৯ ৰান কৰাৰ লগতে তেজালে ৫৩ ৰান কৰি অপৰাজিত হৈ থাকে। অধিনায়িকা মান্ধানাই ২৯টা বলত ৪১ ৰানৰ অৱদান আগবঢ়ায়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি অধিনায়িকা গেবী লিৱিছৰ ৯২ আৰু লেহ পলৰ ৫৯ ৰানৰ সহায়ত আয়াৰলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৮ ৰান কৰে। ভাৰতৰ হৈ প্ৰিয়া মিশ্ৰই সৰ্বাধিক দুটা উইকেট লাভ কৰে।

# বৰপেটাৰোডৰ ষ্টেডিয়ামখন আধুনিকীকৰণৰ প্ৰচেষ্টাক শলাগ



ৰঙিলী বাৰ্তাসেৱা- বৰপেটাৰোডৰ ষ্টেডিয়ামখন আধুনিকীকৰণ কৰাৰ কাৰণে বহুদিন আগৰে পৰা প্ৰচেষ্টা অব্যাহত আছিল। এই প্ৰচেষ্টাৰ আধাৰতে ক্ৰীড়া সঞ্চালকালয় কাৰ্যালয়ে বৰপেটা জিলা আয়ুক্ত আৰু লোক নিৰ্মাণ বিভাগক এই সন্দৰ্ভত চৰজমিন তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল । তাৰ পৰিপ্ৰেক্ষিততে আজি বৰপেটাৰোডত মন্ত্ৰী ৰঞ্জিত দাসৰ লগতে ক্ৰীড়া বিভাগৰ অতিৰিক্ত আয়ুক্ত গীতাশ্ৰী লাচিত, বৰপেটা জিলা ক্ৰীড়া বিষয়া ধ্ৰুৱজ্যোতি ডেকা, প্ৰাক্তন ক্ৰীড়া বিষয়া ভূপেন দেৱচৌধুৰীকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত প্ৰাককলণ যুগুত কৰা হয় ।

# ড° ভি নাৰায়ণন ইছৰোৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি



ৰঙিলী বাৰ্তাসেৱা- ৰকেট বিজ্ঞানী ড° ভি নাৰায়ণনক ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, চমুকৈ ইছৰোৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে বিদায়ী অধ্যক্ষ ড° এছ সোমনাথৰ স্থানত বিজ্ঞানী ড° ভি নাৰায়ণনক ইছৰোৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিছে। মহাকাশত মহাশক্তি হোৱাৰ লক্ষ্যৰে কেইবাটাও ধ্বজাবাহী অভিযানৰ প্ৰস্তুতি চলাই থকাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে ইছৰোৰ দায়িত্ব অৰ্পণ কৰিছে ৰকেট বিজ্ঞানী ড° নাৰায়ণনক। ১৯৮৪ চনৰ ১ ফেব্ৰুৱাৰীত ইছৰোত কৰ্মজীৱন আৰম্ভ কৰা ৫৪ বছৰীয়া বিজ্ঞানী ড° নাৰায়ণন কন্যাকুমাৰী জিলাৰ এখন সৰু গাঁও মেলাকাট্ৰভিলাইত জন্মগ্ৰহণ কৰে। কৃষক পিতৃ আৰু গৃহিণী মাতৃৰ সন্তান ভি নাৰায়ণনে তামিল মাধ্যমৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ আৰম্ভ কৰে আৰু গাঁৱলীয়া পৰিৱেশত গাঁৱত ডাঙৰ-দীঘল হয়। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে শৈক্ষিক জীৱন আগবঢ়াই নিয়া নাৰায়ণনে দশম শ্ৰেণীৰ পৰীক্ষাত শীৰ্ষস্থান ( নপৃষ্ঠাত চাওক)

# বিশিষ্ট অভিনেত্ৰী জ্ঞানদা কাকতি আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট অভিনেত্ৰী জ্ঞানদা কাকতি আৰু নাই। শ্বিলঙৰ বেথানি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে। ৯৩ বছৰ বয়সত বিয়োগ জ্ঞানদা কাকতিৰ। বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ মৃত্যু বৰণ কৰে অভিনেত্ৰীগৰাকীয়ে। একাধাৰে প্ৰখ্যাত অভিনেত্ৰী-নৃত্যপটীয়সী-সুকণ্ঠী গায়িকা-বাঁহীবাদক জ্ঞানদাকাকতিৰ বিয়োগৰ লগে লগে অন্ত পৰিল অসমীয়া চলচ্চিত্ৰৰ এটা যুগৰ। তেওঁৰ বিয়োগৰ খবৰ বিয়পি পৰাত শোকস্তব্ধ হৈ পৰে ৰাজ্যৰ সাংস্কৃতিক জগত। ১৯৩২ চনত অসমৰ শ্বিলঙত জন্ম লাভ কৰিছিল জ্ঞানদা কাকতিয়ে। অভিনেত্ৰীগৰাকীৰ পিতৃগৃহ পাণবজাৰত আছিল যদিও পিতৃ চাকৰিসূত্ৰে শ্বিলঙত আছিল। আৰু তেওঁলোকে স্থায়ীভাৱে শ্বিলঙতে বসবাস কৰিছিল। সৰুৰে পৰা নৃত্য, গীত আৰু অভিনয় কৰি ভালপোৱা জ্ঞানদা কাকতিয়ে মাতৃৰ পৰা সংগীত আৰু দেউতাকৰ পৰা লাভ কৰিছিল অভিনয়ৰ আদিপাঠ। শৈশৱতে লাভ কৰিছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য। ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতে শ্বিলঙৰ অসম ক্লাবে মঞ্চস্থ কৰা সতী বেউলা নামৰ নাটকখনত নৃত্য পৰিৱেশন কৰি তেওঁ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভাই নিজেই জ্ঞানদা কাকতিক নৃত্যৰ শিক্ষাদান কৰিবলৈ আগবাঢ়ি আহে। কলাগুৰুৱে জ্ঞানদা কাকতিক মৰমতে 'তামি' নামেৰে সম্বোধন কৰিছিল। শ্বিলঙৰ সেউজ পৰিৱেশত ডাঙৰ-দীঘল হোৱা জ্ঞানদা কাকতিয়ে ইতিমধ্যে অসম চৰকাৰৰ শীৰ্ষস্থানীয় বিষয়া লোহিত কাকতিৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁ বিবাহৰ পাছতহে স্বামীৰ প্ৰচেষ্টাত প্ৰথমবাৰৰ বাবে চলচ্চিত্ৰত অভিনয় কৰে। প্ৰথমবাৰৰ বাবে ১৯৪৮ চনত প্ৰবীণ ফুকন পৰিচালিত 'পাৰঘাট' ছবিখনত অভিনয় কৰি অসমীয়া ছবিজগতত খোজ পেলাইছিল। প্ৰাগজ্যোতিষ কলাচিত্ৰ প্ৰতিষ্ঠানে প্ৰযোজনা কৰা সপ্তমখন অসমীয়া ছবি আছিল 'পাৰঘাট'। 'পূবেৰুণ' কথাছবিৰে দৰ্শকৰ মাজত জনপ্ৰিয় হৈছিল অভিনেত্ৰীগৰাকী। ১৯৬০ চনৰ বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছিল পূবেৰুণ ছবিখন। পাৰঘাট'ৰ পাছত জ্ঞানদা কাকতিয়ে নায়িকা হিচাপে অভিনয় কৰা অসমীয়া ছবিকেইখন হৈছে- 'পিয়লি ফুকন', 'সৰাপাত', 'লখিমী', 'ৰঙা পুলিচ', 'পূবেৰুণ', 'চাকনৈয়া', 'পূৱতি নিশাৰ সপোন', 'নৰকাসুৰ', 'আমাৰ ঘৰ', 'ওপৰ মহলা', 'শেষ বিচাৰ', 'প্ৰিয়জন' আৰু 'ৰাগ-বিৰাগ' । অসমীয়া ছবিজগতৰ লগতে বাংলা ছবিজগততো

(দহ পৃষ্ঠাত চাওক)

# উমৰাংচুৰ ঘটনাৰ বাবে ৰাজ্য চৰকাৰক জগৰীয়া কৰিলে অনুৰূপা ডেকাৰজাই




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰকৃতিৰ ৰম্যভূমি ডিমা হাছাও জিলাৰ অবৈধ কয়লা খনন সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাজ্য চৰকাৰৰ ভূমিকাৰ বিৰুদ্ধে সৰৱ হৈছে আম আদমী পাৰ্টিৰ ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজাই। গুৱাহাটীত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত দলৰ নেত্ৰী গৰাকীয়ে কয়, "ডিমা হাছাও জিলাৰ উমৰাংছুত সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাতে অবৈধ কয়লা খনন চলি আছে। উচ্চতম ন্যায়ালয়ে ৰেট হোল কয়লা খননৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰাৰ পিচতো আদালতৰ নিৰ্দেশ অৱমাননা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ ব্যক্তিৰ পৰিয়ালক অবৈধ ভাৱে কয়লা খননৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবেই আজি ভয়ানক দুৰ্যোগৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুৰব্বী দেৱলাল গাৰ্লোচাৰ পত্নীৰ মালিকানাধীন প্ৰতিষ্ঠানৰ অবৈধ খনিত শ্ৰমিকসকল মৃত্যুমুখত পৰিছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ তিনিদিনে উকলি যোৱাৰ পিছতো নিৰুদ্দেশ হোৱা শ্ৰমিক সকলক উদ্ধাৰ কৰিব পৰা নাই। মাত্ৰ এজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আমি আম আদমী পাৰ্টিয়ে এই ঘটনাৰ চিবিআইৰ জৰিয়তে তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছোঁ।" সংবাদমেলত অনুৰূপা ডেকাৰজাই অভিযোগ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে দেৱলাল গাৰ্লোচাৰ ঘনিষ্ঠ সম্পৰ্ক থকাৰ বাবেই দেৱলালৰ পত্নী কনিকা হোজাইক চৰকাৰে অবৈধভাৱে ৰেট হোল মাইনিং কৰিবলৈ অনুমতি দিছে। এই সম্পৰ্কৰ বাবেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আৰক্ষীয়ে

(দহ পৃষ্ঠাত চাওক)

# মিৰ্জাত মাঘী মেলা ২০২৫ৰ শুভ উদ্বোধনী



ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ মিৰ্জাৰ পলাশবাৰী আৰ, বি, হাইস্কুল খেল পথাৰত ৮ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ আয়োজন কৰা হ'ব মাঘী মেলা ২০২৫। যোৱা বেলিৰ অভূতপূৰ্ব সফলতাৰ পাছত এইবেলিওঁ

(দহ পৃষ্ঠাত চাওক)

# তৃতীয় সংখ্যক খেলো ইণ্ডিয়া খেলো অপেন আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত উজলিল অসমৰ খেলুৱৈ




ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবংগৰ কলিকতাৰ ঘুচৰিত অনুষ্ঠিত হৈ যোৱা তৃতীয় সংখ্যক খেলো ইণ্ডিয়া খেলো অপেন আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে অসমৰ কাৰাটে খেলুৱৈ সকলে। যোৱা ইংৰাজী ৪ আৰু ৫ জানুৱাৰী তাৰিখে পশ্চিমবংগৰ কলিকতাৰ ঘুচৰিত অনুষ্ঠিত হৈ যোৱা তৃতীয় সংখ্যক খেলো ইণ্ডিয়া খেলো আন্তঃৰাষ্ট্ৰীয় অপেন কাৰাটে প্ৰতিযোগিতাত অসমৰ প্ৰশিক্ষক কৃষ্ণ ফুকনৰ নেতৃত্বত লেংডন স্কুল অফ কাৰাটেৰ প্ৰশিক্ষাৰ্থী সকলে অংশ গ্ৰহণ কৰি কাটা আৰু কুমিটেত ক্ৰমান্বয়ে ৫ টা সোণ, ৪টা ৰূপ আৰু ৯ টা ব্ৰঞ্জ পদকৰে অসমলৈ সুনাম কঢ়িয়াই আনে । ছিটোৰিঅ কাৰাটে ফেডাৰেচনৰ দ্বাৰা আয়োজিত খেলত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা বিজয়ী খেলুৱৈ সকল একাধিক ক্ৰমে হ'ল হেনিট ফাংচো, অৰূপল ৰাজবংশী, বৈভৱ বৰ্ণিল বৰা, ভায়োলীনা দেৱী, পূৰৱী ভট্টাচাৰ্যী, নৱনীতা ডেকা, নেনচি টেৰংপি, দেবাংগন ঠাকুৰীয়া, কৌশিক দাস, অৰ্নব ৰয়, অমনদ্বীপ, হিমাংশু কাকতি।

## Beauty of the Week



Divyanka Barman,
Kharghuli,B.Borooah. College

# পাঞ্জাবাৰীত ৫৬ জন ঠিকাভিত্তিক কৰ্মচাৰীক ৫ লাখকৈ সাহাৰ্য্য



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্তব্যৰত অৱস্থাত পৰলোকপ্ৰাপ্তি হোৱা ৫৬ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন সাহায্যৰ অনুমোদন পত্ৰ বিতৰণ কৰাৰ লগতে প্ৰয়াত কৰ্মচাৰী কেইগৰাকীৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়। উক্ত কাৰ্যসূচীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকে।

# গুৱাহাটীত ৰাইজৰ দলৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাইজৰ দলৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনটোজোৰা কাৰ্যসূচীৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰামত অনুষ্ঠিত হয়। পুৱাৰ পৰা আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত দলীয় পতাকা উত্তোলন কৰে দলৰ কেন্দ্ৰীয় সভাপতি অখিল গগৈয়ে। ইয়াৰ পাছতে 'কা' আন্দোলনৰ ছহিদ সকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে দলৰ কাৰ্যকৰী সভাপতি কবীন্দ্ৰ চেতিয়া ফুকনে। উক্ত অনুষ্ঠানতে দলৰ সদ্যপ্ৰয়াত উপ সভাপতি হিৰণ্য বৰপাত্ৰগোঁহাইৰ প্ৰতি সন্মান জনাই স্মৃতিচাৰণৰ লগতে স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অসমৰ সমাজ জীৱনৰ (দহ পৃষ্ঠাত চাওক)

# ৰাজ্য চৰকাৰৰ গ্ৰামোন্নয়ন আৰু কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰিলে কেন্দ্ৰীয়মন্ত্ৰী শিৱৰাজ সিং চৌহানে



ৰঙিলী বাৰ্ত্তাসেৱা- বিভিন্ন চৰকাৰী কাৰ্যসূচীৰে অসম আৰু মেঘালয় ভ্ৰমণলৈ অহা কেন্দ্ৰীয় গ্ৰামোন্নয়ন, কৃষি দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে গুৱাহাটীৰ ভিভান্তা হোটেলত অনুষ্ঠিত এক বৈঠকত ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি বিভাগৰ দ্বাৰা ৰূপায়ন কৰি থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰাৰ উপস্থিত অনুষ্ঠিত উক্ত বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কেন্দ্ৰীয় ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়নৰ পৰ্যালোচনা কৰি আঁচনিৰসমূহৰ (দহ পৃষ্ঠাত চাওক)

# ড° অপৰ্ণা বুজৰবৰুৱাৰ শিশুৰ বাবে জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ 'হাইকু'ৰ উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান খেলপথাৰত অনুষ্ঠিত হৈ থকা 'অসম গ্ৰন্থমেলা'ৰ উপেন্দ্ৰনাথ শৰ্মা সভাঘৰত অলপতে ড° অপৰ্ণা বুজৰবৰুৱাৰ শিশু উপযোগী সচিত্ৰ আৰু বৃহৎ কলেবৰৰ গ্ৰন্থ "শিশুৰ বাবে জ্ঞান-বিজ্ঞানৰ হাইকু' উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট কবি-সাহিত্যক ড° হৰেকৃষ্ণ ডেকাই। ড° পৰিণীতা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষাবিদ তথা বিজ্ঞানী ড° বাৰীন্দ্ৰ কুমাৰ শৰ্মা, শিক্ষাবিদ-সাহিত্যিক নৰেন্দ্ৰ মোহন গোস্বামী, গীতিকাৰ কীৰ্তি কমল ভূএগ, শিক্ষাবিদ সব্যসাচী সৰকাৰ আদি ব্যক্তিসকল। উন্মোচনী ভাষণত হৰেকৃষ্ণ ডেকাই হাইকুৰ জৰিয়তে অতি সহজ ভাষাত শিশু উপযোগী বিষয়. সৰলভাৱে আৰু সুন্দৰকৈ প্ৰকাশ কৰাৰ বাবে লেখিকাক ভূয়সী প্ৰশংসা কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ৮০ গৰকীৰো অধিক ব্যক্তি উপস্থিত থাকে। অসমীয়াৰ উপৰিও এই গ্ৰন্থখন বাংলা, হিন্দী আৰু ইংৰাজী ভাষালৈ অনুবাদ কৰা হৈছে।

# বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ হাতেলিখা আলোচনী গজালি উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ ৮-১-২৫ ইংৰাজী ৰে গুণোৎসৱ উপলক্ষে অনুষ্ঠিত হোৱা প্ৰাতঃ সভাত হাতেলিখা আলোচনী গজালিৰ উন্মোচন (পঞ্চম খণ্ড) কৰা হয়। প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য ই আতধৰা গজালিৰ উন্মোচনী সভাত ৰামদিয়া বিনন্দী চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অধ্যাপক তথা বহিঃ মূল্যায়ক বিষয়া ডঃ ললিত চন্দ্ৰ ভৰালী দেৱে গজালি উন্মোচন কৰে। ভৰালী দেৱে উন্মোচনী ভাষণত কয় যে প্ৰাথমিক পৰ্যায়ৰ পৰাই ছাত্ৰ -ছাত্ৰী পৰিপক্ক কৰাৰ ক্ষেত্ৰত শিক্ষক শিক্ষয়িত্ৰী সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। গজালি ৰ তত্বাৱধায়ক ইন্দ্ৰ কান্ত বৈশ্য, সম্পাদক জিতুমণি বৈশ্য, নোডেল শিক্ষয়িত্ৰী বিজয়া দাস, সমাজকৰ্মী ভদ্ৰেশ্বৰ ডেকা, ফটিক বৈশ্য, ভূৱনেশ্বৰ কোকতি, ৰমেশ চন্দ্ৰ বৈশ্য, চন্দনা কলিতা উপস্থিত আই কে বৈশ্য।

# জোনাইত ব্ৰহ্মপুত্ৰ আৰু মাজুলীত সোঁৱণশিৰি নদীৰ মথাউৰি নিৰ্মাণৰ কামৰ শুভাৰম্ভ মন্ত্ৰী পীযুষ হাজৰীকাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই ধেমাজি জিলাৰ জোনাই আৰু মাজুলী জিলাৰ লুইত খাবলুত ক্ৰমে ব্ৰহ্মপুত্ৰ আৰু সোঁৱণশিৰি নদীৰ মথাউৰি নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমতে জোনাইৰ কেৰকেৰৰ পৰা বৰঙলৈকে জলসম্পদ বিভাগে প্ৰায় ৪১.২৫ কোটি টকাৰ বাজেটেৰে ১৫ কিল'মিটাৰ সম্প্ৰসাৰণ কৰিবলগা ব্ৰহ্মপুত্ৰৰ নতুন মথাউৰিৰ কামৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ইতিপূৰ্বে কেইবাবাৰো অঞ্চলটো ভ্ৰমণ কৰা জলসম্পদ মন্ত্ৰীগৰাকীয়ে বিগত সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই মথাউৰিটোৰ সম্প্ৰসাৰণৰ কামৰ আৰম্ভ কৰা হয়। এই উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰতিশ্ৰুতি দিয়া অনুসৰিয়েই তেওঁ মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ



কৰিছে। পৰৱৰ্তী সময়ত বাকী থকা অংশটোতো মথাউৰি নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে বানপানীৰ সময়ত যদি ৰাইজে সমস্যাৰ সন্মুখীন হ'ব লগা হয়, মথাউৰি বিচ্ছিন্ন হয় তেতিয়া বিভাগীয় মন্ত্ৰী হিচাপে তেওঁ অত্যন্ত ব্যৰ্থ অনুভৱ কৰে। বানপানী আৰু গড়াখহনীয়াৰ পৰা ৰাইজক উদ্ধাৰ কৰিবলৈকে (দহ পৃষ্ঠাত চাওক)

# আধুনিক ভাৰতৰ স্বপ্নদ্ৰষ্টা ৰতন টাটা

**কবিতা শৰ্মা, গুৱাহাটী**



পৃথিৱীৰ বুকুলৈ সময়ে সময়ে এনে কিছু ব্যক্তিৰ আগমন ঘটে যাৰ চিৰ প্ৰস্থানে সমাজৰ প্ৰতিটো স্তৰৰ মানুহকে মৰ্মাহত কৰি যায়। ভাৰতৰ বিশিষ্ট উদ্যোগপতি ৰতন টাটা আছিল তেনে এজন যুগান্তকাৰী পুৰুষ। ৰতন টাটা কেৱলমাত্ৰ দেশৰ এজন দিগ্গজ উদ্যোগপতি বা সফল ব্যৱসায়ী হিচাপেই নহয়, তেওঁৰ সততা, সৰলতা, উদাৰতা আৰু মানৱীয়তাপূৰ্ণ ব্যক্তিত্বৰ বাবে কৌটি - কৌটি ভাৰতবাসীৰ হৃদয়ত স্থান পাইছে।

নানান বৈচিত্ৰ্যতাৰে পূৰ্ণ আছিল এই কিংবদন্তী পুৰুষজনৰ জীৱন কাহিনী। বহুতো উত্থান-পতনৰ মাজেৰে পৰিপূৰ্ণ আছিল তেওঁৰ জীৱন যাত্ৰা। তেওঁৰ সম্পূৰ্ণ নাম হ'ল ৰতন নৱাল টাটা। জন্ম হৈছিল ১৯৩৭ চনৰ ২৮ ডিচেম্বৰত মুম্বাইৰ এটা পাৰ্চী পৰিয়ালত। তেওঁ আছিল জামছেদজী টাটাৰ নাতি আৰু নৱাল টাটাৰ পুত্ৰ। দহ বছৰ বয়সতে দেউতাক- মাকৰ বিচ্ছেদ হোৱাৰ বাবে আইতাক নভজ্যোত টাটাই তেওঁক ডাঙৰ-দীঘল কৰিছিল। শৈশৱৰ এই পাৰিবাৰিক প্ৰতিবন্ধকতাৰ মুখামুখি হব লগীয়া পৰিস্থিতিয়েই হয়তো তেওঁক ধীৰ স্থিৰ হবলৈ আৰু পাৰিবাৰিক মূল্যবোধৰ গভীৰতা সম্পৰ্কে উপলব্ধি কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। তেওঁৰ প্ৰাৰম্ভিক শিক্ষা মুম্বাইৰ চেন্ট জেভিয়াৰ্ছ স্কুলৰ পৰা কৰিছিল। ইয়াৰ পাছত আমেৰিকাৰ কৰ্ণেল ইউনিভাৰ্চিটি অৱ আৰ্কিটেকছাৰৰ পৰা আৰ্কিটেকছাৰত স্নাতক ডিগ্ৰী লাভ কৰে। যদিও তেওঁ স্থাপত্য শিল্পত নিজৰ কেৰিয়াৰ গঢ়িব বিচাৰিছিল, কিন্তু পাৰিবাৰিক ব্যৱসায়িক ঐতিহ্যৰ কথা চিন্তা কৰি তেওঁ ব্যৱসায়তে মনোনিৱেশ কৰিলে। ১৯৭৫ চনত তেওঁ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ পৰা এডভান্স মেনেজমেন্ট প্ৰোগ্ৰাম শেষ কৰে। ১৯৬১ বৰ্ষত তেওঁ টাটা ষ্টিলত এজন প্লাষ্টাৰাৰ হিচাপে কাম আৰম্ভ কৰে। এই কামৰ মাধ্যমেৰে তেওঁ টাটাৰ ব্যৱসায়িক ক্ষেত্ৰত গভীৰ জ্ঞান অৰ্জন কৰে। ১৯৯১ চনত জে.আৰ.ডি টাটাৰ অৱসৰৰ পাছত তেওঁ টাটা গ্ৰুপত অধ্যক্ষ হিচাপে নিযুক্তি লয়। টাটা গ্ৰুপত ৰতন টাটাৰ শেহতীয়া পদবী আছিল ব্যৱসায়িক সাম্ৰাজ্যৰ অধ্যক্ষ। তেওঁ ১৯৯১ চনৰ পৰা ২০১২ চনলৈ টাটা গ্ৰুপৰ অধ্যক্ষ আছিল আৰু ২০১৬ চনৰ পৰা ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহলৈ অন্তৰ্বৰ্তীকালীন অধ্যক্ষ হিচাপেও দায়িত্ব পালন কৰিছিল। কেৱল মাত্ৰ তেওঁৰ ব্যৱসায়িক দক্ষতা আৰু কঠোৰ পৰিশ্ৰমৰ যোগেৰে এটা সময়ত লোকচানৰ মুখামুখি হব লগীয়া টাটা গোষ্ঠীয়ে লাভৰ মুখ দেখিছিল। ৰতন টাটাই তেওঁৰ পাৰিবাৰিক ব্যৱসায়ক আন্তৰ্জাতিক পৰিমণ্ডলত সুপ্ৰতিষ্ঠিত কৰিলে। একাধিক ব্যৱসায়িক প্ৰত্যাহ্বান আৰু ব্যৰ্থতাৰ পাছতো তেওঁ টাটা গ্ৰুপক এনে এক পৰ্যায়লৈ লৈ যায় যে টাটা মটৰ্চ, টাটা ষ্টীল, টাটা কনচাল্টেন্সী চাৰ্ভিছেচৰ দৰে বিয়াগোম কম্পেনী বিলাকে আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সক্ষম হয়। উন্নতিৰ শীৰ্ষত আৰোহন কৰিও কঠোৰ পৰিশ্ৰম আৰু বাস্তৱতাৰ পৰা তেওঁ নিজকে কেতিয়াও আতৰাই অনা নাছিল। ক্ৰমাগত নিজকে বেছি দক্ষ আৰু অভিজ্ঞ কৰিহে তুলিছিল। তেওঁ এনে এটা সময়ত টাটা শিল্পগোষ্ঠীৰ পুনৰগঠন আৰম্ভ কৰিছিল যেতিয়া ৰাষ্ট্ৰ হিচাপে ভাৰতে অৰ্থনৈতিক উদাৰী কৰণৰ পথত খোজ দিছিল। তেওঁৰ হাত ধৰিয়েই টাটা শিল্পগোষ্ঠীৰ প্ৰবৃদ্ধি অৰ্জিত হৈছে। বিশ্বায়নৰ গতিধাৰাক কামত লগাইছিল তেওঁ। নতুন শতিকাৰ আৰম্ভনিৰ পৰাই টাটা গোষ্ঠীয়ে ডাঙৰ অধিগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। ইয়াৰ মাজত ৪৩ কোটি ১৩লাখ ডলাৰত টেটলি, ১ হাজাৰ ১৩০ কোটি ডলাৰত কোৰাস, ২৩০ কোটি ডলাৰত জাগুৱাৰ ল্যাণ্ডৰোভাৰ, বাৰ্ণাৰমণ্ড, জেনেৰেল কেমিকেল ইণ্ডাষ্ট্ৰিয়েল প্ৰোডাক্ট্ আৰু ১০ কোটি ২০ লাখ ডলাৰত দাইয়ু অধিগ্ৰহণৰ দৰে ঘটনাও আছে। এটা পৰ্যায়ত ৰতন টাটাই এয়াৰ ইণ্ডিয়া কিনি লয়। ধীৰে ধীৰে পৰিধি বাঢ়ি গৈ টাটা শিল্পগোষ্ঠীৰ ব্যৱসায় শতাধিক দেশলৈ বিয়পি পৰে। তেওঁ বিশ্বজুৰি হোটেল, ৰাসায়নিক প্ৰতিষ্ঠান, যোগাযোগ নেটৱৰ্ক ব্যৱসায় বঢ়াই তোলে। মুঠতে ভাৰতৰ যি প্ৰান্ততে নাযাওঁ কিয় যিটো ব্ৰাণ্ড সকলোতে চকুত পৰিব সেয়া হ'ল টাটা ব্ৰাণ্ড। ভাৰতবৰ্ষ জুৰি এনে এজন লোক হয়তো বিচাৰি পোৱা নাযাব, যিজনে টাটাৰ কোনো সামগ্ৰী বা টাটাৰ সেৱা গ্ৰহণ কৰা নাই। লোণৰ পৰা ইস্পাত, উৰাজাহাজ লৈ সকলো। টাটা কোম্পানীৰ বাচ, ট্ৰাক বা যিকোনো যানবাহন নেদেখাকৈ আপুনি হয়তো ৰাস্তা পাৰ হব নোৱাৰিব। মুঠতে ভাৰতীয় শিল্পত তাৎপৰ্যপূৰ্ণ বিকাশ ঘটাই টাটাক বৈশ্বিক ব্যৱসায়িক প্ৰতিষ্ঠানলৈ ৰূপান্তৰ কৃতিত্ব ৰতন টাটাৰ। এই যাত্ৰা কিন্তু ইমান সহজ নাছিল। নানা প্ৰতিকূলতা নেওচি ' টাটা গোষ্ঠী'ক আগুৱাই নিয়াত তেওঁ বিস্তৰ সাহস দেখুৱাইছিল। মূলত এই উদ্যোগক পূৰ্বপুৰুষৰ হেৰোৱা সন্মান ঘূৰাই অনাৰ এক প্ৰচেষ্টা বুলি কব পৰাৰ লগতে সমগ্ৰ দেশখনকে পৃথিৱীৰ ভিতৰতে এখন লেখত লব লগীয়া আগশাৰীৰ দেশলৈ ৰূপান্তৰ কৰাৰ তেওঁৰ সপোনো নিহিত হৈ আছিল।

সচৰাচৰ সফলতাৰ যি অৰ্থ, অৰ্থাত নাম-যশ, টকা-পইচা, সা-সম্পত্তি সেই সকলোবোৰেই ৰতন টাটাৰ আছিল। নিজৰ পৰিয়ালৰ প্ৰতি তেওঁ বৰ সমৰ্পিত আছিল যদিও ব্যক্তিগত জীৱনত তেওঁ নিঃসংগ আছিল। চাৰিবাৰকৈ বিবাহৰ নিচেই ওচৰ চাপিও বিভিন্ন কাৰণত সেয়া হৈ নুঠিল। সেই কথাও তেওঁ মুকলিকৈ স্বীকাৰ কৰিছিল। তেওঁ পোহনীয়া কুকুৰৰ লগত সময় কটাই আনন্দ লভিছিল।

আগলৈ...

# প্ৰেম




প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল
প্ৰেম জানো কোনোবাই কৰো
বুলি কৰে ।
প্ৰেম ঈশ্বৰৰ অলৌকিক দান ।
গোপনে গোপনে
চকুৰ পলকত
হোৱা এটি মিঠা অনুভৱ ।
সঁচা হৃদয়ে
বুজি পায়
মনৰ ভাষা ।
তোমাৰ নীলা চকুজুৰিয়ে
ভিৰৰ মাজতো
জুমি জুমি বিচাৰি ফুৰিলে
বুকুত গাজনি মাৰে ।
দুখনি হিয়া এখন হোৱা
নিৰৰে বৈ অহা প্ৰেম ।

# ক'ভিডৰ পিছত এতিয়া সঘনাই শুনিবলৈ পোৱা বেমাৰ HMPV



**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**

ক'ভিডৰ সময়ত আমাৰ ভাৰতবৰ্ষই নহয় প্ৰায়বোৰ দেশে এই মহামাৰী প্ৰকোপ ভয়ত কপি আছিল। aসই বিভীষিকা সময়খিনি মনত পৰিলে এতিয়াও মন সেমেকি যায়। কিমান আপোনজনৰ বুকু উদং হৈছিল ভুক্তভোগী সকলে নিশ্চয় অনুভৱ কৰিব পাৰে। অৰ্থনৈতিক দিশৰ ফালৰ পৰাও আমাৰ দেশে যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল। দোকান, স্কুল/কলেজ অফিচ কাছাৰী, প্ৰতিষ্ঠান বন্ধ দিব লগা হৈছিল। উপাই নাছিল কিছুমান ভুল সিদ্ধান্তৰ কাৰণেও জনসাধাৰণে জীয়াতু ভুগিব লগা হৈছিল।

এতিয়া অভিজ্ঞতাৰ ভিত্তিত সকলোৱে বুজিব পৰা হৈছে। সাধাৰণতে শীত কালতে ভাইৰাছ বোৰ সক্ৰিয় হৈ উঠে বুলি চিকিৎসক সকলৰ লেখাত পঢ়িবলৈ পাইছোঁ। গতিকে চৰ্দি কাঁহ, জ্বৰ এই শীতৰ সময়ত হোৱা ৰোগ। গতিকে ক'ভিড তেনে এবিধ ভাইৰাচ আছিল। এতিয়া HMPV তেনেকুৱা এবিধ বীজাণু। ইয়াত ভয় খাব নালাগে বুলি টিভিৰ বাতৰিত চিকিৎসক সকলে আলোচনা কৰি থকা দেখাইছে মাত্ৰ ৰাইজক ধূলিবালি আদি কাৰণে মাস্ক ব্যৱহাৰ কৰিব কৈছে। সৰু ল'ৰা ছোৱালীবোৰক আৰু বৃদ্ধ বয়সৰ আৰু বেমাৰী লোকসকলক অকণমান বিশেষ ভাৱে যতন ল'ব লাগিব। তেওঁলোকে যাতে ঠাণ্ডা নাপাই আৰু পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিব লাগিব। অকণমান সাৱধানতাৰে থাকিলে জীৱন মধুময় হয় ।

# লিমাৰিক



১)
নতুন বছৰ বুলি মাজুলীলৈ গ'লো
বৃহত্তৰ নদী দ্বীপ যে চাই আহিলো
সত্ৰ চালো চাৰিখন
নেদেখিলো নদীখন
বহুদিনীয়া আশা পূৰ কৰি আহিলো।
২)
জেকেট এটা কিনো বুলি বজাৰ গ'লো
দৰ-দাম কৰি মই হতবাক হ'লো
বহুদিন কিনা নাই
প্ৰয়োজনো হোৱা নাই
কিনিব নোৱাৰি ঘৰলৈ ফিৰি আহিলো

**জয়া শৰ্মা, ডিব্ৰুগড়**

১)
বনভোজ খাবলৈ হেনো কৰিছে মন
সকলোৰে মিলি-জুলি গোটাইছে ধন
পুৱাতে আহিব বাছ
কিনিছে ইলিছ মাছ
আজৰি কৰি ল'লে ঘৰৰ বাহী বন।
২)
চলন্ত বাছত সিহঁতৰ কি যে ৰং
নাচ-বাগৰ নাই একেবাৰেই ঢং
সংস্কৃতিৰ কুৰূপ
বাঢ়িছে যিটো প্ৰকোপ
পেটে পেটে উঠিছে মোৰ বহুত খং।

**নিৰ্মালি কাকতি, নগাঁও জৰাবাৰী**

১)
যোৰহাট কাজিৰঙা আকৌ বোকাখাট
গোপাল কৃষ্ণই ক'লে আছে কলপাত
গৰম গৰম লুচি
আলু খাই হম খুচি
বিয়নী বাৰ্তা আহকচোন গোলাঘাট ।
২)
ঘৰযে ডাঙৰ হ'ল কোঠাবোৰ সৰু
একেলগে থাকিবলৈ নোযোৱেযে আৰু
ল'ৰা হওঁৰ চাকৰি
সদায় থাকে আতঁৰি
বুঢ়া কালত একেলগ হমনে বাৰু।

**মায়া বৰদলৈ, যোৰহাট**

১)
খুটা এটা ফুটা কৰি পইচা জমালোঁ
চেনেহীক চোলা দিম বুলিযে ভাবিলোঁ
খুটাৰ বেংক খালি
চোৰে কাটি নিলে কালি
মইনা জানক কি ক'ম ভাবি নেপালোঁ।
২)
লিমাৰিক লেখিকা মায়াকযে দেখিলোঁ
ষ্টাইলতযে পকা মই কিন্তু মানিলোঁ
বেঙুনীয়াতযে বগা
দেখাত লাগিছে ঠৌগা
সুন্দৰেযে সুখীৰ মন্ত্ৰ ময়ো শিকিলোঁ।

**ৰাজুমণি বৰা, গুৱাহাটী**


১)
দুহেজাৰ পঁচিশ চন আৰম্ভ হ'ল,
কাৰোবাৰ বয়স অৰ্ধ শতক হ'ল,
কাৰোবাৰ চালগিৰা,
কাৰোবাৰ মনমৰা,
কিছুমান ৰঙা বগা খাইলে মাতাল।
২)
গছৰ পাতৰ বছৰ সলনি হ'ব,
তাক লৈ ইমান হুলস্থুল নকৰিব,
খাই জানো নানাচিব,
উভত মাতো মাতিব,
সন্মান হানি হোৱা কামকেই কৰিব।

**ৰশ্মি গগৈ, টেঙাখাত, ডিব্ৰুগড়**

১)
মেলা বহিছে বুলি আজিহে গম পালোঁ
যাম বুলি ইজনী সিজনীক সুধিলো
ওচৰতে মেলা খন
চাবলৈও গৈছে মন
হাতত পইচা নাই গৃহস্থক ক'লো।
২)
গৃহস্থই উঠিলে চোন ভেকাহি মাৰি
এই বুঢ়ী বয়সত মন যায় উৰি
জমা টকা এটা নাই
মেলা চাবলৈ ওলাই
ঘৰখন চলাইছো যেনে তেনে কৰি।

**বন্তি দত্ত,যোৰহাট**

# ৰত্না দত্তৰ 'দ্বিতীয়া' উপন্যাস




সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বুঢ়ী আইৰ সাধুৰ 'তেজীমলা' নামৰ সাধুটোৰ পৰা তেজীমলাৰ দ্বিতীয়া মাকক উপন্যাসৰ নায়িকা হিচাপে লৈ লোককথা ভিত্তিক উপন্যাস 'দ্বিতীয়া' ৰচনা কৰিছে ঔপন্যাসিক ৰত্না দত্তই । এইখনেই বোধকৰো লোককথা ভিত্তিক ৰচিত প্ৰথমখন অসমীয়া উপন্যাস। বেজবৰুৱাদেৱৰ 'তেজীমলা' পঢ়ি তেজীমলাৰ দ্বিতীয় মাকৰ প্ৰতি আমাৰ মনত উদয় হোৱা ভাবৰ সৈতে এই উপন্যাসখনৰ 'তেজীমলা'ৰ দ্বিতীয় মাকৰ প্ৰতি যেন আমাৰ একেই ভাবৰ উদয় হোৱা নাই। ইয়াত মানুহগৰাকী কিয়, কেনেকৈ সলনি হৈ কামবোৰ কৰিছিল সেই কাৰণখিনি আমাৰ চকুত বেছি গুৰুত্বপূৰ্ণ হৈ ধৰা দিছেহি। মানুহগৰাকীৰ মনস্তাত্বিক দিশটো আমাৰ বাবে বেছি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

এই সংসাৰত সকলো মানুহৰেই মনত জীৱনটোক লৈ থাকে অলেখ আশা, অলেখ সপোন! আশাই জীৱনৰ গতিত ৰং সানে। প্ৰতিজনী ছোৱালীয়েও মনত বহু আশা লৈ লাহে লাহে ডাঙৰ হৈ আহে। প্ৰতিটো অৱস্থাৰেই আশাবোৰ সুকীয়া সুকীয়া। ৰত্না দত্তৰ উপন্যাস দ্বিতীয়াৰ দ্বিতীয় পত্নীৰো আন ছোৱালীৰ দৰেই ছোৱালী কালত আছিল বহুত সপোন। যৌৱনত ভৰি থোৱাৰ পিছত সপোনবোৰে ৰং সলাইছিল! বুকুৰ আশাবোৰ সংগোপনে মনৰ মাজতে লৈ কামবোৰ কৰি গৈছিল উলাহেৰে। মনৰ মাজৰ মিঠা অনুভৱৰ প্ৰকাশ গীত হৈ নিগৰিছিল। তাইৰ মন গৈছিল কোনোবা কুঁৱৰৰ মুখেৰে কেৱল তাইৰ বাবে কিছু মিঠা কথা শুনাৰ। হেঁপাহ জাগিছিল তাইক কোনোবাই ভাল পাওঁক। তাইক প্ৰাণভৰি ভালপোৱা কোনোবা এজন তাইৰ জীৱনলৈ আহক। তাইৰ সমনীয়াৰ বিয়া হৈ গৈছিল তাই ঘৰতে ৰৈছিল। সকলোৱে কয় তাই হেনো দেখাত বৰ ভাল নহয়। "কিন্তু দেখাত অশুৱনি হ'লেই মানুহ প্ৰেমত নপৰাকৈ থাকে জানো? কেৱল শুৱনি মানুহৰ জীৱনতহে প্ৰেম-প্ৰীতি ঘটে নেকি?" (পৃষ্ঠা ২৪, উপন্যাস দ্বিতীয়া) সেয়ে তাই আশা এৰি দিয়া নাছিল। এদিন কোনোবা আহিব যাৰ আগত তাই তাইৰ মৰম আকলুৱা মনটোৰ কথাবোৰ হেঁপাহেৰে কৈ যাব! সপোন ৰচি গৈছিল তাই; সেই সপোনৰ কোলাত মনৰ মাজৰ মিঠা অনুভৱবোৰ সময়ে সময়ে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰ মাজত উমলি থাকোতে গীত হৈ নিগৰিছিল তাইৰ কণ্ঠৰে! কিন্তু হঠাতে তাইৰ সেই সপোন ভাগি গৈছিল যিদিনা ঘৰৰ মানুহে তাইৰ বিয়া ঠিক কৰিছিল সাউদৰ দ্বিতীয় পত্নী হ'বলৈ। সাউদৰ বোলে প্ৰথম পত্নীৰ ফালৰ পৰা এজনী জীয়েকো আছে। নাম তেজীমলা। তাইৰ ভৰিৰ তলৰ মাটি নোহোৱা হৈ গৈছিল মুহূৰ্ত্ততে। তাইৰ মনত নানানটা প্ৰশ্নই ভিৰ কৰিছিলহি! - ছোৱালীকাল শেষ হ'ব তাইৰ? এই কালত তাইৰ তাৰমানে কাৰোৱেই লগত প্ৰেমৰ সম্পৰ্ক নহ'ব আৰু? তেনেহ'লে অতদিনে সাঁচি ৰখা তাইৰ মনৰ মাজত থকা আলসুৱা-আকলুৱা কথাবোৰ তাই কাক ক'ব? সেই অনুভৱ বোৰ তাৰমানে এতিয়া তাই মনৰ মাজতে সামৰি থৈ দিব লাগিব? মৰম আকলুৱা মনটোৱে নিগৰা গীতবোৰ তাইৰ কণ্ঠৰে নোলোৱা হৈছিল। বুকুত এচটা শিলে আশ্ৰয় লৈছিল। মাক-দেউতাক-আইতাক সকলোকেই তাইৰ শত্ৰু যেন লাগিছিল। দেউতাকে কোৱা -"মোৰ একোজনী ছোৱালীয়েই কামে-কাজে দহটা পুত্ৰ-সন্তানৰ সমান।" (পৃষ্ঠা ৪৫, দ্বিতীয়া উপন্যাস) - আদি কথাৰ মূল্য নোহোৱা হৈছিল। তাইৰ মনত বহু প্ৰশ্নৰ উদয় হৈছিল- "পিতাই সঁচাকৈয়ে ভাবিছিল নে তেনেকৈ? নিজৰ ওপৰত তেওঁৰ বিশ্বাস আছিল নে? যদি সঁচাকৈয়ে ভাবিছিল, মই সাউদৰ জীৱন সংগিনী হ'বলগীয়া হ'ল কিয়? নতুবা এইবোৰ কথা মানুহে কেৱল সাধাৰণ সামাজিক আত্মৰক্ষাৰ বাবেহে কয় নেকি? এইবোৰ কথাৰ প্ৰকৃত মূল্য দিয়া মানুহ হয়তো নাই বা খুব কম। মোৰ পিতাৰ বাবে এইবোৰ কথা হৈছে আচল অৱস্থাক ঢাকি ৰখা একোখন ঢাকনি।"(পৃষ্ঠা ৪৫, দ্বিতীয়া) তাইৰ এনে লাগিছিল তাইক যেন কোনেও ভাল নাপায়। তাই খুবেই অকলশৰীয়া। লাহে লাহে তাইৰ চকুপানীবোৰ গোট মাৰিছিল। বুকুত যেন শিল এছটা বহুৱাই লৈছিল তাই। সকলোৱে ক'লে তাইৰ হেনো ভাগ্য! *(আঠপৃষ্ঠাত চাওক)*

**ঈপ্সিতা কন্দলী শৰ্মা**

১)
বজাৰৰ পাচলি নাখাওঁ বুলি ভাবি,
বাৰীত কৰিছিলো অলপ বন্ধা কবি।
লোকৰ গৰু সোমাই
দুপৰীয়া গ'ল খাই।
আবেলি গৈ দেখিলোঁ এটাও নাই কবি।
২)
বিজু খুড়ী পুতেকৰ লাগিছে ওফোন,
আনি দিব লাগে তাক এটা আইফোন।
আমি কৈছিলো নিদিবা,
দিবলৈ জানো পাৰিবা।
মাকে আনি দিলে ধাৰ কৰি আইফোন।

**মালবিকা দেৱী, শোণিতপুৰ**

১)
পুৱা উঠি মাত নিদি গ'ল বাহিৰত
বাপেকে আহি দেখে নাই যে ভিতৰত
বাপেকৰ উঠে খং
ছোৱালী লগত ৰং
নিতে থাকিব মাকৰ চাদৰ আঁৰত।
২)
ক'ত গৈছিলি বটা কাম নাই ঘৰত
আমাৰ বাবে ত ই খাই আছ যহঁত
চাকৰী যে তোৰ নাই
ছোৱালী পাবলৈ নাই
এতিয়া গা ঘেলাই ঘুৰি ফুৰ তহঁত।

**উমা দেৱী, মৰিগাঁও**

১)
ৰুণু জুনু নুপুৰ পিন্ধি শ্ৰীময়ী যায়
দেখিলে মনটো উখল মাখল হয়
ওলাই সোমাই থাকোঁ
কোৱা হোৱা নাই একো
সমিধান পোৱাৰো নাই একো উপায়।
২)
সপোনে দিঠকে মই একাকাৰ কৰি
ব্যাকুল হৈয়েই আছোঁ তোমাক বিছাৰি
বয়সো যে বাঢ়ি গৈছে
ঘৰতো ধমক দিছে
তথাপিটো শ্ৰীময়ীয়ে নাচালে যে ঘূৰি।

**মীনা হাজৰিকা, যোৰহাট**


অসম চৰকাৰ
শ্ৰম কল্যাণ বিভাগ
অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদ
NIC National Informatics Centre
নিৰ্মাণ ক্ষেত্ৰত জড়িত শ্ৰমিকৰ
আৰ্থিক ভেঁটি সুদৃঢ়কৰণৰ অনন্য প্ৰয়াস
নিৰ্মাণ সখি
প'ৰ্টেলৰ ইউ আৰ এল- abocwwb.assam.gov.in
সুবিধাসমূহ
শ্ৰমিকৰ পঞ্জীয়ন
আধাৰ আৰু ই-শ্ৰম সংযুক্তকৰণ
প্ৰাপ্য আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন
স্বচ্ছতা আৰু ক্ষিপ্ৰতাৰে নিৰ্মাণ শ্ৰমিকসকলক আৰ্থিক সাহায্য প্ৰদানৰ এক প'ৰ্টেল
NIRMAN SAKHI
Dedicated to the Welfare of Construction Workers
JANASANYOG- 3846/24/12-Jan-25
ইতিমধ্যে পঞ্জীয়নভুক্ত শ্ৰমিকসকলে নিজৰ আধাৰ সংযুক্ত কৰি পুনৰ এই নতুন প'ৰ্টেলটোত পঞ্জীয়ন কৰিব লাগিব
সবিশেষ জানিবলৈ নিকটৱৰ্তী শ্ৰম বিষয়াৰ কাৰ্যালয় নাইবা ৰাজহুৱা সুবিধা কেন্দ্ৰ (PFC)ৰ সৈতে যোগাযোগ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

যোৱাখণ্ডৰ পৰা...

# ছবি চাই ভালপোৱা মানুহ



জ্যোতি খাটনিয়াৰ

তেওঁলোকৰ কেনভাছবোৰ আমাৰ জীৱনত ঘটিত সৰু সৰু ঘটনাৰ অৰ্থবহ চানেকি।

এই এদিন আগেয়ে পাৰ হৈ যোৱা বছৰটো বা তাৰ আস- পাসৰ সময়খিনিত বহু অসমীয়া শিল্পীয়ে আমাৰ জীৱন আৰু জগতৰ কৌতুহলেৰে ভৰা মনটোৰ বতৰা বিভিন্ন ধৰণেৰে সংৰক্ষিত কৰি ৰাখিছে। শিল্প চেতনা লৈ অহা পৰিবৰ্তন আৰু পৰিবেশৰ সৈতে আমাক সম্পৰ্কক চন্দন বেজবৰুৱাই তেওঁৰ Somewhere in the Northeast নামৰ উড কাট মাধ্যমৰ ৯ ফুট দৈৰ্ঘ্যৰ আৰু ৪ ফুট প্ৰস্থৰ শিল্পকৰ্মটোত ফুটাই তুলিছে। বিমূৰ্তকৰণৰ মাজেৰে নগৈ ইয়াত প্ৰকৃতিক উপস্থাপন কৰা হৈছে মানুহৰ হস্তক্ষেপে প্ৰকৃতিলৈ অনা নতুন সংযুতি বা ৰূপান্তৰ মাধ্যমেৰে। আনহাতে প্ৰকৃতি যদি মানুহৰ আকাংক্ষাৰ বহিঃ ৰূপৰ দ্বাৰা প্ৰভাৱিত হৈছে তেনেহলে মানুহৰ অন্তঃ জগতত থকা কথা বতৰাবোৰ আহিছে আন কেইগৰাকীমান শিল্পীৰ কামৰ পৰা। তেনে তিনিগৰাকী শিল্পী হ'ল অতুল চন্দ্ৰ বৰুৱা, অনুপ কুমাৰ শৰ্মা আৰু মনিকা দেৱী।

অনুপ কুমাৰ শৰ্মাৰ Echoes of the Unseen, 'নেদেখাৰ প্ৰতিধ্বনি ছবি' শীৰ্ষক ছবিত আমি দেখা পাওঁ জীৱন আৰু যুগটোৰ চাপ (pressure) বা ওজন (weight) ত হেঁচা খোৱা এজন মানুহ। ঠিক যেন সাহিত্যিক মিলান কুণ্ডেৰাই ক'বৰ দৰে The Unbearable Lightness of Being: অস্তিত্বৰ অসহনীয় লঘিমা। কিন্তু ইয়াত মানৰ আত্মা সন্মুখীন হৈছে বস্তুবোৰ মুখৰ সৈতে। এই মুখবোৰ ওপৰে তলে, আশে পাশে তেওঁৰ চাৰিওফালে ভিৰ কৰিছে। কিন্তু মানুহজন বিচলিত হোৱা নাই। তেওঁ ইয়াক সমীক্ষাত্মক দৃষ্টিৰে চাইছে। সেইবাবে তেওঁৰ অবয়ব (figure)ৰঙা ৰঙৰ।

অতুল চন্দ্ৰ বৰুৱাৰ Divergence (বহুমুখী) শিল্পকৰ্মত যেন কোলাহলৰ বহু মুখ। ইয়াৰ পৰাই উঠি আহিছে অস্তিত্ব। দীঘলীয়া তেওঁৰ অস্তিত্ব। ইয়াত সময় বৈ পৰা। জীৱন আৰু জগতৰ সৈতে তেওঁৰ সম্পৰ্ক (relation) আৰু পাৰ্থক্য (difference) দুয়োটা আমি দেখিবলৈ পাইছোঁ। মণিকা দেৱীৰ amalgamation প্ৰকৃতিৰ মাজত থিয় হোৱা মানুহৰ আকাংক্ষা তুলি ধৰিব খুজিছে। বৰষুণ পৰিছে পাহাৰ আৰু কাষতেই জলৰাশি। তাত আকৌ মাছৰ জাক। পাঁচ ডাল জখলাৰে মানুহ যেন থিয় হব খোজে। তৎক্ষণাৎ আমাৰ মনলৈ আহে আমাৰ এই শৰীৰ পঞ্চভূতৰ। এদিন এই শৰীৰ উভতি যাব কাষৰেই প্ৰবাহমান জলৰাশিলৈ। অব্যাহত থাকিব গতি। এই গতি মানুহৰ শিল্প মনৰ এক শক্তিশালী অৱদান। স্পেইনৰ ৪০, ০০০ হাজাৰ পুৰণি গুহা শিল্পৰ পৰা শিল্পী নিখিলেশ বৰুৱাৰ "Where to" ( ৫ ফুট - ৩ ফুট; এক্ৰিলিক মাধ্যম) শীৰ্ষক কেনভাচত আমি দেখা পাওঁ ১৫ টা চৰাইৰ নিৰন্তৰ যাত্ৰাত। ইয়াত জীৱ জগত ৰৈ থকা নাই। এই প্ৰকৃতি মানুহৰ অন্তঃজগতৰ দাপোন (mirror)। বাস্তৱ (real) আৰু অপাৰ্থিব (virtual) জগতৰ খবৰো নিখিলেশ বৰুৱাৰ এই কেনভাছে দিছে। ক'ৰবাত মানুহ সফল, ক'ৰবাত বিফল। ভাৰতীয় দৰ্শন মায়া আৰু লীলাৰ মাজেৰেই এই ছবিখনে তুলি ধৰা জগতখনত ভুমুকিয়াব পাৰি। ই যেন মানুহৰ আধ্যাত্মিক চেতনাৰো এক প্ৰকাশ। আধুনিক মানুহে বিকাশৰ এই পৰ্যায়ত উপনীত হওঁতে নানা যন্ত্ৰণা আৰু শোষণৰ মাজেৰে আহিব লগীয়াত পৰিছিল। শিৱ প্ৰসাদ মাৰাৰৰ The Soul আৰু The Cup নামৰ দুয়োখন ছবিত আমি জীৱনৰ আন কিছু দিশ দেখিবলৈ পাও। এজন পৰি ৰোৱা শুভ্ৰ মানুহ। তেওঁৰ ওপৰত তেজৰ এক বিশাল আকৃতি। কাষত বহি ৰোৱা আন এছাম মানুহ ; জীৱন্ত কিন্তু শোকাকুল আৰু দুঃখিত। এখন চিত্ৰত আমাৰ সকলোৰে পৰিচিত চাহৰ কাপটো। সি মানুহৰ ৰূপ লৈছে। বুকুত চাহ গছ। ইয়াৰ কাষত নৃত্যৰত একাংশ লোক। এফালে চাহ শ্ৰমিকৰ শোষণ, আনফালে সংগীতময় জীৱন। আধুনিক সমাজত সমকালীন বৈষম্যৰ যি ভয়াবহতা আৰু আৰ্থিত হেঁচাত মানুহ কিদৰে ভাঙি পৰে, তাৰ এক অৰ্থবহ ৰূপায়ন আমি পাও কিশোৰ কুমাৰ দাসৰ EMI শীৰ্ষক ছবি। এই ছবিখনত মানুহজন ভাৰাক্ৰান্ত হৈছে। তাৰ মাজেৰে মানুহে যেন আগুৱাই যোৱাৰ প্ৰয়াস কৰিছে। এই শোষণ অসহনীয়; কিন্তু তাত পৰিবৰ্তনৰ সম্ভাবনাও ধৰি ৰখা হৈছে। মানুহজনে কঢ়িয়াই থকা শিলটো ছাই বৰণীয়া, কিন্তু প্ৰেক্ষাপট ৰঙা উজ্জ্বল ৰঙৰ।

আধুনিক মানুহ চহৰৰ বাসিন্দা। আনকি গ্ৰাম্য অঞ্চলতো চহৰৰ প্ৰভাৱ পৰিছে। এই চহৰে আমাক নিৰন্তৰ পৰিবৰ্তনৰ সৈতে সন্মুখীন কৰাই থাকে। দ্ৰুত গতি আৰু আবদ্ধতাই চহৰক এক বিশেষ পৰিচয়। এই চহৰত মানুহৰ উপস্থিতি অসংখ্য কোলাহলৰ মাজত। এই চহৰ উজ্জ্বল আৰু প্ৰাণৱন্ত; কিন্তু মানুহৰ আত্মাৰ সংগী নহয়। প্ৰবীণ কুমাৰ নাথৰ City I আৰু City II কেনভাছে আমাক এনে খবৰেই দি যায়।

বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ জীৱনলৈ কঢ়িয়াই অনা পৰিবৰ্তনৰ দৃঢ় খবৰ আছে আমিনুল হকৰ Broken Bridge নামৰ ছবিত। ইয়াৰ বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ অস্তিত্বক ঠেলি হেচি এক অনিশ্চয়তাৰ মাজলৈ লৈ গৈছে। আনহাতে নীলিমা ঠাকুৰীয়া হকৰ Fragrance of the Fractions নামৰ ছবিত স্মৃতি আৰু তাৰ দুখৰিয়া যাত্ৰাৰ খবৰ আছে। ঠিক যেন তেওঁৰ কবিতাৰ দৰে: "খলকনি খলকনি, উঠি নাহে সোঁৱৰণী।" কণমানি চৰাইটোৰ উপস্থিতিয়ে সহঁাৰি আৰু আশাৰ এক অন্তৰ্নিহিত বাৰ্তাক ধৰি ৰাখিছে। আধুনিকতা যদিহে জটিল, ই জীৱনৰ উজ্জ্বল

*(বাৰপৃষ্ঠাত চাওক)*

# হেৰাব খোজা ভোগালীৰ ৰং



মানসী মিশ্ৰ

শৰতৰ সেউজীয়াখিনিক
আঘোণৰ সোণোৱালী পথাৰে
পূৰ্ণতা দিলে,
পুহৰ মুক্ত পথাৰত আস্বাদিত
কুঁৱলীৰ পৰশে কিয়ে মাদকতা আনে।
সুৰুযৰ নীলাভ আভাৰ মাজে মাজে
নিয়ৰত জীপাল আধাবন্ধা মেজিটোৱে
মোক কাণে কাণে ক'লে-
আধুনিকতাৰ মায়া জ্বালত
মোৰ তাহানিৰ ভোগালীৰ
ৰংবোৰ হেৰাই যাব খোজে,
দুৰদিগন্ত ভেদি ওলাই অহা
বিহুগীতৰ কলিটিয়েও ক'লে
মই জীয়াই থাকিব খোজোঁ
মানুহৰ মাজত -
চিৰদিন চিৰশ্বাশ্বত হৈ।

# ৰত্না দত্তৰ 'দ্বিতীয়া' উপন্যাস

ধন-সোণ, মণি-মুকুতাৰ মাজত থাকিবলৈ পাব তাই! মানুহবোৰক তাইৰ চিঞৰি চিঞৰি সুধিবৰ মন গৈছিল - ধন-সোণেৰে যৌৱন কিনিব পাৰিনে? যৌৱনৰ অভাৱ ধন-সোণে পূৰাব পাৰেনে? যি ধন-সোণৰ চিকমিকনি দেখুৱাই সাউদে তাইক নিব ওলাইছে, সেই ধন- সোণেৰে তাইৰ অপাৰ যৌৱনক তেওঁ চম্ভালি ৰাখিব পাৰিবনে? পত্নীৰ মৃত্যুত বহুদিন ধৰি চকুলো টুকি জীয়েকৰ চোৱা-চিতা কৰিবলৈ অৱশেষত বিয়া কৰোৱা মানুহ এটাই নতুন মানুহজনীৰ মনৰ ধুমুহাৰ উঠা-নমাৰ বুজ ল'ব পাৰিবনে ? এই প্ৰশ্নবোৰে তাইক আমনি কৰিছিল যদিও তাই কিন্তু দুৰ্বল হৈ পৰা নাছিল। বিয়াৰ দিনাও তাই কন্দা নাছিল আন ছোৱালীৰ দৰে। তাই যিমান পাৰে সিমান কঠোৰ হোৱাৰ চেষ্টা কৰিছিল।- "আয়ে হয়তো ভাবিছিল তেওঁৰ ফুল কুমলীয়া ছোৱালীজনীৰ চকুত চকুলো নাই কিয়! কিন্তু চকুলো নথকা কথাটোত মই যেন শান্তিহে পাইছিলোঁ। মই কঠোৰ হ'ব পাৰিছিলোঁ। মই বুজি পাইছিলোঁ; বুকুৰ ভিতৰখন শিলৰ দৰে টান কৰি ল'লেহে মই জীয়াই থাকিব পাৰিম। মই জীয়াই থাকিব লাগিব। মই জীৱনটোক ভাল পাওঁ, নৈখন ভালপাওঁ, আকাশখন ভালপাওঁ, চৰাইৰ মাতৰ, বৰষুণৰ শব্দ সকলোবিলাক মোৰ আপোন - মই মৰিব নোৱাৰোঁ। মোৰ মাত্ৰ বাৰে বাৰে এটা কথাই মনলৈ আহিছিল, ধন-সোণৰ দম্ভৰে বাঢ়নি পানীক ভেটিব পাৰিবনে ? সকলোকে কথাষাৰ চিঞৰি চিঞৰি সুধিবলৈ মন গৈছিল।" (পৃষ্ঠা ৪২, দ্বিতীয়া উপন্যাস) বিয়াৰ পিছত তাইৰ স্বামীৰ ব্যক্তিত্বই তাইক মুগ্ধ নকৰা নহয়। কিন্তু স্বামীৰ সৈতে কটোৱা অন্তৰংগ মুহূৰ্তৰ সময়খিনিৰো মুহূৰ্ততে মাদকতা নোহোৱা হৈ গৈছিল যেতিয়া স্বামীৰ মুখেৰে কেৱল প্ৰথমা পত্নীৰ গুণ আৰু তেজীমলাক ভালকৈ চোৱাৰ কথা আহিছিল। সেই মুহূৰ্তত তাইৰ বুকুখন বিষাই গৈছিল। অনুভৱ কৰিছিল তাই প্ৰতি মুহূৰ্তে মুহূৰ্তে নতুন ঘৰখনত তাইৰ কোনো অস্তিত্ব নাই। তাই আছে মাথোঁ প্ৰথম পত্নীৰ ছোৱালী সাউদৰ অতিকৈ মৰমৰ তেজীমলাক চোৱাচিতা কৰিবলৈহে। ঘৰলৈ খবৰ ল'বলৈ অহা মানুহেও যেতিয়া তেজীমলাক ভাল ব্যৱহাৰ কৰাৰ কথা কৈছিল আৰু তাৰ প্ৰত্যুত্তৰত সাউদে মানুহক কৈছিল -" আপোনালোকে তেওঁক কিয় তেনেকৈ কৈছে?

আগলৈ...

# উমৰাংছ' কয়লাখনিৰ পৰা

হ'ল- উমৰাংছ' কালামাটিৰ লিজেন মাগাৰ, কোকৰাঝাৰৰ ফকিৰাগ্ৰামৰ খুচি মোহন ৰায় আৰু শোণিতপুৰ জিলাৰ পাণবাৰীৰ শৰৎ গয়াৰী। ইয়াৰ পূৰ্বে যোৱা ৪ জানুৱাৰীত উদ্ধাৰ হৈছিল গংগা বাহাদুৰ শ্ৰেষ্ঠ নামৰ এজন শ্ৰমিকৰ মৃতদেহ। চৰকাৰী তথ্য অনুসৰি যোৱা সোমবাৰে কয়লাখনিটোত পানী সোমাই পৰাৰ ফলত আবদ্ধ হৈ পৰিছিল ৯জন শ্ৰমিক। ইয়াৰে চাৰিজনৰ মৃতদেহ উদ্ধাৰৰ পিছত এতিয়াও আবদ্ধ হৈ আছে ৫জন শ্ৰমিক। মন কৰিবলগীয়া যে ৩০০ ফুট গভীৰ কয়লাখনিটোত ২০০ ফুট পানী থকাত উদ্ধাৰ অভিযানত যথেষ্ট জটিলতাই দেখা দিছিল যদিও শেহতীয়াকৈ নাগপুৰৰ পৰা ক'ল ইণ্ডিয়াই প্ৰেৰণ কৰা উচ্চ ক্ষমতাসম্পন্ন পাম্পেৰে পানী সিঁচি থকাৰ ফলত পানীৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছে। এনে অৱস্থাত অহা ৪৮ ঘণ্টাৰ ভিতৰত কয়লাখনিটোত আবদ্ধ হৈ থকা আন ৫ শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সক্ষম হ'ব অভিযানকাৰী দলে। মন কৰিবলগীয়া যে কয়লাখনিটোৰ গভীৰতাৰ পানী যথেষ্ট বোকাপূৰ্ণ আৰু দুৰ্গন্ধ হৈ পৰাৰ ফলত অভিযানকাৰী দলে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। নৌসেনা, বায়ুসেনা, এনডিআৰএফ, এছডিআৰএফ, অ'এনজিচি আৰু ক'ল ইণ্ডিয়াৰ ডুবাৰুসকলে অভিযান অব্যাহত ৰাখিছে যদিও ৰেটহলত আবদ্ধ হৈ থকা শ্ৰমিকসকলক উলিয়াই অনাত জটিলতাৰ সৃষ্টি হৈ আছে। অৱশ্যে অহা ৪৮ ঘণ্টাত পানীৰ পৰিমাণ হ্ৰাস পালে উদ্ধাৰ অভিযানত সফলতা আহিব বুলি দাবী কৰিছে ঘটনাস্থলীত উপস্থিত হোৱা অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিট সিঙে।

# ২০২৪ বৰ্ষত বিশ্বজুৰি

পদক্ষেপ গ্ৰহণ কৰিলেও সেয়া প্ৰহসনত পৰিণত হৈ পৰাত ২০২৪ বৰ্ষই ইতিহাস গঢ়ি পৃথিৱীৰ সবাতোকৈ উষ্ণতম বৰ্ষ হিচাপে পৰিণত হৈছে। প্ৰতিবেদন মতে, ২০২৪ বৰ্ষত তাপমাত্ৰা গড়ে প্ৰায় ১.৬ ডিগ্ৰী চেলছিয়াছ বৰ্ধিত হৈছে। বিগত বৰ্ষৰ জুলাইত পৃথিৱীৰ গড় তাপমাত্ৰা ১৭.১৬ ডিগ্ৰী চেলছিয়াছ স্পৰ্শ কৰিছে। ই হৈছে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধিৰ নতুন অভিলেখ। উল্লেখনীয় যে ১৮৫০ চনৰ পিছত পৃথিৱীৰ ইতিহাসত বিগত বৰ্ষটো সবাতোকৈ উষ্ণতম বৰ্ষ হিচাপে পৰিগণিত হৈছে। ৰাষ্ট্ৰসংঘৰ পেৰিছত অনুষ্ঠিত জলবায়ু পৰিৱৰ্তন সন্মিলনত স্বাক্ষৰিত পেৰিছ চুক্তি অনুসৰি পৃথিৱীৰ তাপমাত্ৰা ১.৫ ডিগ্ৰী চেলছিয়াছ অতিক্ৰম কৰিবলৈ নিদিবলৈ দেশসমূহে জীৱাশ্ম ইন্ধনৰ পৰা সেউজগৃহ গেছ নিৰ্গমনত ভাৰসাম্য বজাই ৰখাৰ সিদ্ধান্ত লোৱা হৈছে যদিও সেই চুক্তি এতিয়া প্ৰহসনত পৰিণত হৈছে। ফলশ্ৰুতিত পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি হৈ আছে।

# গুৱাহাটীত পুনৰ যুৱতীৰ

গুৱাহাটীত অধ্যয়ন কৰি আছিল বিপ্লৱী নাথে। তিনিদিন ধৰি ঘৰৰ মানুহে ফোনত পোৱা নাছিল বিপ্লৱীক। দুদিন ধৰি ভাড়াঘৰৰ মানুহে দেখা নাছিল বিপ্লৱীক। ঘৰৰ স্বত্বাধিকাৰী মহিলাই কেইবাবাৰো মাত দিছিল যদিও সঁহাৰি দিয়া নাছিল বিপ্লৱীয়ে। অৱশ্যে নিশাৰ পৰাই ভাৰাঘৰটোৰ কোঠালিৰ পৰা দুৰ্গন্ধ ওলোৱাৰ কিছু সন্দেহৰ সৃষ্টি হয় ভাৰাঘৰৰ গৰাকীৰ। তাৰ পিছতে ঘৰৰ গৰাকীয়ে যুৱতীগৰাকীৰ ভাৰাঘৰৰ দুৱাৰখনত হেঁচুকি দিওঁতে খোল খোৱাৰ পাছত ভিতৰত কম্বল লৈ শুই থকা অৱস্থাত প্ৰত্যক্ষ কৰে। কেইবাবাৰো মতাৰ পাছতো মাত নিদিয়াত ঘৰৰ গৰাকীয়ে আৰক্ষীৰ লগতে স্থানীয় লোককো বিষয়টো অৱগত কৰে। তাৰ পাছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো ভালদৰে নিৰীক্ষণ কৰাতহে মৃত্যুৰ কথাটো পোহৰলৈ আহে। আৰক্ষী সূত্ৰটোৰে সদৰী কৰা মতে, মৃতদেহটো উৰলি যোৱালৈ প্ৰত্যক্ষ কৰি যুৱতীগৰাকীৰ মৃত্যু তিনি- চাৰি দিন আগতে হোৱাৰ সন্দেহ কৰা হৈছে। যুৱতীগৰাকী কি কাৰণত মৃত্যুমুখত পৰিল সেয়া এতিয়াও পোহৰলৈ অহা নাই। ঘটনাটো হত্যা নে আত্মহত্যা সেয়াও জানিব পৰা হোৱা নাই। জানিব পৰা মতে, ভাৰাঘৰটোৰ চুক্তিৰ বাবে পিতৃ আৰু বায়েকক গুৱাহাটীলৈ মাতি পঠিয়াইছিল বিপ্লৱীয়ে। কিন্তু পৰিয়ালৰ লোক আহি পোৱাৰ পূৰ্বেই ৰহস্যজনক অৱস্থাত বিপ্লৱী নাথৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত স্বাভাৱিকতেই আন এক ৰহস্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে যুৱতীগৰাকীৰ উৰলি যোৱা মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে নিজাববীয়াকৈ এটা গোচৰ ৰুজু কৰিছে। যুৱতীগৰাকীৰ মৃত্যুৰ প্ৰকৃত ৰহস্য স্পষ্ট হোৱা নাই যদিও মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনতহে সকলো তথ্য পোহৰলৈ আহিব।

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ

ৰাজ্যৰ কৰ্মশক্তিৰ কল্যাণৰ স্বাৰ্থত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ সমান্তৰালভাৱে স্বাস্থ্য প্ৰতিষ্ঠানসমূহত চৰকাৰী কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ নগদবিহীন চিকিৎসাৰ সুবিধাৰ প্ৰয়োজনীয়তা আদি বিষয়সমূহো আলোচনাকালত উত্থাপন হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ কল্যাণৰ দিশত নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। কৰ্মচাৰী পৰিষদৰ নৱনিৰ্বাচিত সমিতিখনে যিসমূহ বিষয় আলোচনাকালত উপস্থাপন কৰিছে ৰাজ্য চৰকাৰে সেইসমূহ বিচাৰ-বিবেচনা কৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰি তেওঁ অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাজ্যবাসীৰ সেৱাত অসমৰ কৰ্মচাৰী সমাজক আত্মনিয়োগ কৰি যাবলৈ আহ্বান জনায়। সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিসকলে তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে, বৈঠকৰ বিষয়ে সদৰী কৰি কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক প্ৰধান পংকজ বৰ্মনে কয় যে চলিত বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ৰাজ্যিক কৰ্মচাৰীৰ চিকিৎসা বীমা আঁচনি নগদবিহীন হ'ব। প্ৰথম পৰ্যায়ত ৰাজহুৱা খণ্ডৰ হাস্পতাল কলেজসমূহত উপলব্ধ হ'ব এই সেৱা। ২০১৭ চনত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে চাকৰি নিয়মীয়া হোৱা ১৩ হাজাৰ ফিক্সড পে', মাষ্টাৰৰোল কৰ্মচাৰীয়ে লাভ কৰিব ঘৰভাৰা বানচ। ২০০৫ চনত ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতি (এনপিএছ) প্ৰৱৰ্তনৰ পূৰ্বে প্ৰকাশ পোৱা বিজ্ঞাপনৰ ভিত্তিত নিযুক্তি লাভ কৰা কৰ্মচাৰীয়ে লাভ কৰিব পুৰণি পেঞ্চন পদ্ধতি (অ'পিএছ)ৰ সুবিধা। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশৰ ভিত্তিতে এই পদক্ষেপ ৰাজ্য চৰকাৰে চলিত জানুৱাৰী মাহত কাৰ্যকৰী কৰিব। ইয়াৰ বাবে জানুৱাৰীৰ ভিতৰতে প্ৰকাশ পাব প্ৰয়োজনীয় কাৰ্যালয় স্মাৰক। ৰাজ্য চৰকাৰৰ যিসমূহ পদৰ নিযুক্তিৰ অৰ্হতা স্নাতক পৰ্যায়ৰ, সেইসমূহ পদৰ কৰ্মচাৰীয়ে এতিয়াৰে পৰা লাভ কৰিব স্নাতক পৰ্যায়ৰ দৰমহা। শিক্ষা বিভাগৰ বিষয়ৰ ওপৰত পৃথক আলোচনাৰ পোষকতা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তদুপৰি, আপোন ঘৰ আঁচনি ত্ৰিশ লাখলৈ বৃদ্ধি, মৃত, আহতসকলৰ ক্ষতিপূৰণৰ বাবে এছ বি আইৰ লগত হোৱা চুক্তি আৰু প্ৰাদেশিকীকৰণৰ আসোঁৱাহ নিৰীক্ষণৰ বাবে কেবিনেট সমিতি গঠনক আদৰণি জনায় কৰ্মচাৰী পৰিষদে। কৰ্মচাৰী সংগঠনটোৰ নেতাদ্বয়ে পুনৰ কয় যে বিভিন্ন বিভাগত ৰৈ যোৱা পদোন্নতিসমূহ শীঘ্ৰে কৰা হ'ব। মুখ্যমন্ত্ৰীৰ লোকসেৱক আৰোগ্য যোজনাৰ আসোঁৱাহ দূৰ কৰা হ'ব। তাৰ বাবে কাৰ্ডৰ ব্যৱস্থা কৰা হ'ব। বিভিন্ন বিভাগত থকা পাছনেল প্ৰেষ্টৰ কৰ্মচাৰীসকলৰ পদোন্নতিৰ ব্যৱস্থা সন্দৰ্ভতো আলোচনা কৰা হয়। অভিযান্ত্ৰিক বিভিন্ন বিভাগৰ ৰৈ থকা পদোন্নতিসমূহো অতি সোনকালে হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আশ্বাস প্ৰদান কৰে। সভাত মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদীৰ উপৰি অসম চৰকাৰৰ উচ্চপদস্থ বিষয়াবৰ্গৰ লগতে কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সাধাৰণ সম্পাদক পংকজ বৰ্মন প্ৰমুখ্যে পৰিষদৰ নৱনিৰ্বাচিত সমিতিৰ সদস্যবৃন্দ উপস্থিত থাকে।

# অসমত এইচ এম পি ভিৰ

সকলো পেৰামিটাৰ অলপ উৰ্ধ্বত আছিল যদিও এতিয়া ক্ৰমান্বয়ে সকলো কমিছে আৰু বৰ্তমানলৈ সম্পূৰ্ণ সুস্থ অৱস্থাতে শিশুটিক সুকীয়াকৈ ৰখা হৈছে। লগতে সূক্ষ্মভাৱে সকলো নিৰীক্ষণত আছে। আক্ৰান্ত শিশুটিৰ পৰিয়ালৰ কোনো ট্ৰেভেল হিষ্টী নাই বুলিও উল্লেখ কৰে অধীক্ষক গৰাকীয়ে। সাধাৰণতে এই ভাইৰাছত আক্ৰান্ত লোকৰ সাধাৰণ জ্বৰ, পানীলগা ইত্যাদিবিলাক উপসৰ্গই দেখা দিয়ে। মানৱ শৰীৰত ইমিউন ছিষ্টেম দুৰ্বল হোৱা লোকক এই ভাইৰাছে সহজতে আক্ৰমণ কৰে। শিশু আৰু বৃদ্ধ লোক এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়। এয়া কোনো নতুন ভাইৰাছ নহয়। ক'ভিডৰ সময়তে এই ভাইৰাছৰ উদ্ভৱ হৈছিল আৰু ২০১৪ চনৰে পৰা এনে পৰিপ্ৰেক্ষিতত অসম মেডিকেল কলেজত নিয়মীয়াকৈ ইয়াৰ পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে বুলি অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই সদৰী কৰি কোনো লোকক আতংকিত নহ'বলৈ পৰামৰ্শ দিয়াৰ লগতে সকলোকে কেৱল সজাগ হ'বলৈ আহ্বান জনায়। আমি ক'ভিডৰ সময়ত পালন কৰা সকলো নীতি-নিয়ম নিয়াৰিকৈ মানি চলিলে এনে ৰোগৰ পৰা হাত সাৰিব পাৰি বুলিও তেওঁ মন্তব্য কৰে। অনাহকত আতংকিত নহৈ সাধাৰণ সাৱধানতাসমূহ অৱলম্বন কৰিবলৈ সকলোকে আহ্বান জনায় অধীক্ষকগৰাকীয়ে। লগতে ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আছুতীয়া কক্ষত পিতৃ-মাতৃৰ সৈতে শিশুটিক চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে ।

# মিছ ইণ্ডিয়া পোলেণ্ড ২০০৪ৰ অসম

কৰা অনুৰাধাই ক্লিনিকেল চাইক'লজী আৰু অপৰাধ বিজ্ঞানত দুটা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। গুৱাহাটীত থকা সময়ত অনুৰাধা নৃত্য, সংগীতৰ প্ৰতি আকৰ্ষিত আৰু সৌন্দৰ্য্য প্ৰতিযোগিতাত উৎসাহী আছিল আৰু ভাৰতনাট্যমতো বিশাৰদ ডিগ্ৰী লাভ কৰিছিল। অন্যহাতে স্কুলীয়া দিনৰ পৰাই অনুৰাধাই বিদ্যালয় আৰু সমসাময়িক বিভিন্ন সৌন্দৰ্য্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে ভালেমান স্বীকৃতি লাভ কৰিছিল। সাংবাদিকৰ আগত নিজৰ মন্তব্য কৰি অনুৰাধাই কয় যে এই মঞ্চখনৰ যোগেদি অসমৰ গৌৰৱময় সংস্কৃতি, পৰ্যটন আৰু অসমীয়া মেখেলা চাদৰক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব বিচাৰে। ২০২১ চনত অনুৰাধাই অধিক অধ্যয়নৰ বাবে পোলেণ্ড চৰকাৰৰ পৰা বৃত্তি লাভ কৰে। বৰ্তমান পোলেণ্ডত জ্যেষ্ঠ কাৰিকৰী নিযুক্তিদাতা হিচাপে কাম কৰাৰ উপৰি মনোবিজ্ঞানী হিচাপেও কাম কৰি আছে।

# ড° ভি নাৰায়ণন ইছৰোৰ নতুন

লাভ কৰে। ১৯৮৯ চনত আইআইটি খড়গপুৰৰ পৰা প্ৰথম স্থান লাভ কৰি ক্ৰায়'জেনিক ইঞ্জিনীয়াৰিঙত এমটেক ডিগ্ৰী লাভ কৰা নাৰায়ণনে ২০০১ চনত এৰ'স্পেচ ইঞ্জিনীয়াৰিঙত পিএইচডি ডিগ্ৰী লাভ কৰে। ৰকেট বিশেষজ্ঞ প্ৰধানতঃ ক্ৰায়'জেনিক প্ৰযুক্তিৰ বিশেষজ্ঞ ড° নাৰায়ণনে ইছৰোৰ কেইবাটাও অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। চন্দ্ৰযান-১, ২ আৰু ৩ৰ লগতে মঙলযান আৰু সূৰ্য অভিযানত আদিত্য এল-১ৰ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ড° নাৰায়ণনে শৈক্ষিক জীৱনত কেইবাটাও বঁটা লাভ কৰাৰ লগতে কৰ্মজীৱনতো অনেক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ড° নাৰায়ণনে মহাকাশ বিজ্ঞান সম্বন্ধীয় ১২ হাজাৰ প্ৰতিবেদন, ৫০ জাৰ্নেল আৰু অভিৱৰ্তনৰ পত্ৰ ৰচনাৰ সৈতে জড়িত। তদুপৰি বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থৰো ৰচয়িতা ড° নাৰায়ণন। চেন্নাইৰ সত্যভামা বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট অৱ ছায়েঞ্চেৰে বিভূষিত ড° নাৰায়ণন। ইণ্টাৰনেচনেল এৰ'নটিকেল ফেডাৰেচন স্পেচ প্ৰপালচন কমিটীৰ সদস্য হোৱাৰ উপৰি বহুকেইটা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ আৰু অভিযান্ত্ৰিক সংস্থাৰ গুৰুত্বপূৰ্ণ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছে।

# বিশিষ্ট অভিনেত্ৰী জ্ঞানদা

নিজৰ নিভাঁজ অভিনয়েৰে দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হৈছিল অভিনেত্ৰীগৰাকী। তেওঁ অভিনয় কৰা বাংলা ছবিকেইখন হৈছে - 'নীলাচলে মহাপ্ৰভু', 'গড়েৰ মাঠে', 'বৰমা' আদি। জ্ঞানদা কাকতিক 'বন্দিনী' নামৰ এখন হিন্দী ছবিত নায়িকাৰ প্ৰস্তাৱ দিয়া হৈছিল যদিও তেওঁ সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিছিল। ১৯৮৭ চনত 'প্ৰথম ৰাগিনী' ছবিৰ বাবে শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল জ্ঞানদা কাকতিয়ে। কেৱল এয়াই নহয় জ্ঞানদা কাকতি আকাশবাণী ৰেডিঅ' গুৱাহাটী-শ্বিলঙৰ প্ৰথমগৰাকী ঘোষিকা আছিল। অনাতাঁৰ কেন্দ্ৰৰ গায়িকাৰূপে প্ৰতিষ্ঠা লাভ কৰা জ্ঞানদা কাকতিয়ে দুটামান গ্ৰামোফোন ৰেকৰ্ডতো গান গাইছিল। বহুকেইখন নাটকৰ আৱহ সংগীতত কণ্ঠদান কৰিছিল তেওঁ। ২০০২ চনত বিষ্ণু ৰাভা বঁটা লাভ কৰিছিল জ্ঞানদা কাকতিয়ে। নানা কৃতিত্বৰে ভৰপূৰ অভিনেত্ৰীগৰাকীৰ মৃত্যুত এতিয়া ম্ৰিয়মান ৰাজ্যৰ সাংস্কৃতিক মহল। অভিনেত্ৰীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। এক শোকবাৰ্তাত তেওঁ কয়, "জ্ঞানদা কাকতি বাইদেউ আৰু নাই! খহি পৰিল অসমীয়া চলচ্চিত্ৰৰ এটি উজ্জ্বল নক্ষত্ৰ। অসমীয়া চলচ্চিত্ৰৰ সোণসেৰীয়া যাত্ৰাক যিসকল অভিনেত্ৰীয়ে মোহনীয় ব্যক্তিত্ব আৰু প্ৰাণস্পৰ্শী অভিনয়েৰে সমৃদ্ধ কৰি থৈ গৈছে, তাৰ ভিতৰত জ্ঞানদা কাকতি বাইদেউ প্ৰাতঃস্মৰণীয়। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'পুবেৰুণ'ত দুৰ্দান্ত অভিনয়েৰে তেখেতে বিদেশতো সমাদৰ লাভ কৰিছিল। বাইদেউৰ বিয়োগ অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলো আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জনালোঁ।"

# উমৰাংচুৰ ঘটনাৰ বাবে

কনিকা হোজাইক গ্ৰেপ্তাৰ কৰা নাই। আপৰ নেত্ৰী গৰাকীৰ দাবী, "অবিলম্বে এই ঘটনাৰ সৈতে জড়িত সকলক গ্ৰেপ্তাৰ কৰক। বিজেপিৰ নেতা - নেত্ৰী, অথবা শাসক দলৰ লোকক সকলো ধৰণৰ অবৈধ কাম চলাই যোৱাৰ অনুমতি কোনে দিয়ে তাৰো তদন্ত হোৱা উচিত। আমি আম আদমী পাৰ্টিয়ে উমৰাংচুত নিহত আৰু আহত হোৱা শ্ৰমিক সকলৰ বাবে চৰকাৰে পৰ্যাপ্তংনংৰ ক্ষতিপূৰণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছোঁ।" উল্লেখনীয় যে ইয়াৰ পূৰ্বেও তিনিচুকীয়া জিলাৰ লিডুত একেধৰণৰ ঘটনা সংঘটিত হৈছিল। ৰেট হোল মাইনিঙৰ জৰিয়তে অবৈধ খনন চলাই থকা অৱস্থাত কেইবাগৰাকীও শ্ৰমিকৰ মৃত্যু হৈছিল। লিডু-মাৰ্ঘেৰিটাৰ কয়লা চিণ্ডিকেটৰ সৈতে চৰকাৰী পক্ষৰ প্ৰভাৱশালী নেতা - মন্ত্ৰীৰ সম্পৰ্ক থকাৰ বাবেই অবৈধ কয়লা খনন বন্ধ হোৱা নাই। দুৰ্গম খনিত শ্ৰমিক সকলৰ জীৱনৰ নিৰাপত্তা বিঘ্নিত হৈছে। তথাপিও চৰকাৰে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। এয়া ৰহস্যজনক। সংবাদমেলত এনেদৰে চৰকাৰী পৃষ্ঠপোষকতাত চলা অবৈধ কয়লা খননৰ সৈতে ডিমা হাছাওৰ মুখ্য কাৰ্যবাহীৰ প্ৰত্যক্ষ সম্পৰ্ক আৰু ছিণ্ডিকেট ৰাজৰ বিৰুদ্ধে সৰৱ হয় আপৰ ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজাই।

# মিৰ্জাত মাঘী মেলা

আয়োজন কৰা হৈছে এই অনুষ্ঠান। বুধবাৰে সন্ধিয়া ৬ বজাত মাঘী মেলাৰ মুখ্য দুৱাৰৰ মুকলিৰ লগতে মেলা উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। মাঘী মেলাৰ সাংস্কৃতিক মঞ্চ মুকলি কৰে শৰৎ হাজৰিকাই (যুটীয়া সচিব, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ, অসম চৰকাৰ) বন্তি প্ৰজ্বলন কৰে কাৰ্যকৰী সভাপতি নয়ন কুমাৰ আৰু ধনঞ্জয় ঠাকুৰীয়াই। উদ্বোধনী ভাষন ৰাখে স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়াই। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে মাঘী মেলা উদযাপন সমিতিৰ সভাপতি পঙ্কজ কুমাৰ দাস, কাৰ্যকৰী সভাপতি ধনঞ্জয় ঠাকুৰীয়া, নয়ন কুমাৰ, উপ- সভাপতি ৰবিন দাস, যুগল কাকতি, হৰমোহন দাস, তপন দাস, তপন দেৱান, সাধাৰণ সম্পাদক ভাস্কৰ ডেকা, সঞ্জীৱ কুমাৰ দাস, সহঃ সাধাৰণ সম্পাদক পাপৰি ডেকা, ভৱজিৎ বৰ্মন,কোষাধ্যক্ষ সৰোজ কুমাৰ ঠাকুৰীয়াৰ লগতে ভালে সংখ্যক বিশিষ্ট ব্যক্তি। উল্লিখিত যোৱা বেলিৰ দৰে এই বেলিও মাঘীমেলা ২০২৫ ৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব আদৰ্শ গাওঁ, পুতলা নাচ, মেজি, বিভিন্নধৰণৰ পিঠাপনা প্ৰদৰ্শনী আৰু অসমৰ বিভিন্ন জিলাৰ পৰা অহা জনজাতীয় খাদ্য সম্ভাৰৰ লগতে থলুৱা খাদ্যৰ জুতি লব পাৰিব ৰাইজে।

# গুৱাহাটীত ৰাইজৰ দলৰ

কেইবাগৰাকীও পুৰোধা ব্যক্তি, সাংবাদিক, বুদ্ধিজীৱি আৰু উদ্যমীয়ে উপস্থিত ৰাইজৰ দলৰ কৰ্মী, আই আই টি কে ধৰি আগশাৰীৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পৰা নিমন্ত্ৰিত ছাত্ৰ ছাত্ৰী সকলৰ সৈতে মত বিনিময় কৰে। অতিথি সকলৰ ভিতৰত বিশিষ্ট বুদ্ধিজীৱি ড° হীৰেন গোহাঁই, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আব্দুল মান্নান, প্ৰাক্তন শীৰ্ষ অসামৰিক সেৱাৰ বিষয়া লক্ষ্মীনাথ তামুলী, বিশিষ্ট চিকিৎসক ডাঃ নৱনীল বৰুৱা, বিশিষ্ট নিবন্ধকাৰ তথা উদ্যোগী ব্ৰজেন ডেকা, গৱেষক তথা যুৱ লেখক অংকুৰ তামুলী ফুকন, নিবন্ধকাৰ কিশোৰ কুমাৰ কলিতা, মৃণাল গোঁহাই, নয়ন কুমাৰ বৰা, বিশিষ্ট উদ্যমী হীৰেন চেতিয়া, নিপেন চেতিয়া, সূৰুষ্য চেতিয়া, মৃদুল চৌধুৰী, ৰাণী গোহাঁই, দেৱব্ৰত গগৈ, শুভ্ৰম গোস্বামী, ৰাইজৰ দলৰ ৰাজনৈতিক উপদেষ্টা তথা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সীতানাথ লহকৰ, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঘনশ্যাম নাথ, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান দিলীপ বৰাৰ লগতে জাতীয় কংগ্ৰেছ দলৰ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক বিপুল গগৈ, চি পি আই দলৰ ৰাজ্যিক সম্পাদক কনক গগৈ, চি পি আই এম দলৰ জেষ্ঠ নেতা নয়ন ভুঞা, নিৰংকুশ নাথ, অল পাৰ্টি হিল্‌ছ লিডাৰ্ছ কনফাৰেন্সৰ সভাপতি জনছ ইংতি কাথাৰ, বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰ, অতনু ভুঞা, শোণিত ভুঞা আদিৰ নাম উল্লেখযোগ্য। এক অগতানুগতিক কাৰ্যসূচীৰে পালন কৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকীও উদ্যোগীৰ সৈতে ছাত্ৰ, যুৱ সকলৰ মত বিনিময় অনুষ্ঠান আছিল এক অন্যতম আকৰ্ষণ। উল্লেখযোগ্য এই অনুষ্ঠানতে ৰাইজৰ দলৰ সপোনৰ অসমৰ এক ৰূপৰেখা ভিডিঅ' স্ক্ৰীনযোগে উপস্থাপন কৰাৰ লগতে দলৰ সভাপতি অখিল গগৈয়ে ৰাইজৰ দলে চৰকাৰ গঠন কৰিলে বা চৰকাৰ গঠন কৰিলে কোনকেইটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিব তাৰ এক আভাস দিয়ে। তেখেতে কয় ৰাইজৰ দল ক্ষমতালৈ আহিলে মূলতঃ পাঁচটা নিশ্চিতি প্ৰদান কৰিব। সেইসমূহ হৈছে অসমৰ সকলো খেতিপথাৰত ১০০ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা কৰি বছৰৰ সকলো সময়তে খেতি কৰিব পৰাৰ ব্যৱস্থা কৰা, খেতিয়কে উৎপাদন কৰা প্ৰতিটো বস্তুৰ পঁন্যতম সমৰ্থন মূল্য প্ৰদান কৰা, অসমৰ স্থায়ী আৰু স্থানীয় মানুহে প্ৰতিযোগিতাৰ জৰিয়তে বজাৰ দখল কৰিবলৈ সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা, অসমৰ প্ৰত্যেকখন গাঁৱত ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰি অৰ্থনৈতিক বিকাশৰ লগতে সংস্থাপনৰ ব্যৱস্থা কৰা আৰু অসমক শ্ৰেষ্ঠ পৰ্যটন ৰাজ্য ৰূপে গঢ়ি তোলা।

# ৰাজ্য চৰকাৰৰ গ্ৰামোন্নয়ন

ফলপ্ৰসূ আৰু সময়সাপেক্ষ ৰূপায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসমত অধিকাংশ আঁচনিৰ সফল ৰূপায়নৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে ভৌগোলিক প্ৰত্যাহ্বানৰ সত্বেও ৰাজ্যখনৰ আঁচনিসমূহ সফলভাৱে ৰূপায়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়। ভূমি আৰু জলজাত গৱেষণাৰ জৰিয়তে কৃষিৰ উৎপাদন বৃদ্ধিৰ লগতে শীতলীকৰণ ভঁৰাল, যাতায়াত আদি সমস্যা দূৰ কৰাৰ বাবে ব্যৱস্থা লব'লৈ তেওঁ চৰকাৰ তথা বিভাগক আহ্বান জনায়। বৈঠকত অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ডাঃ জে বি এক্কা, কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰজোঁৱিয়া, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্ত কীৰ্তি জল্লী, আইচিএআৰ ৰ সঞ্চালক, অসম কৃষি বিশ্ববিদ্যালয়ৰ ডীন প্ৰমুখ্যে দুয়োটা বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

# জোনাইত ব্ৰহ্মপুত্ৰ আৰু মাজুলীত

মন্ত্ৰীগৰাকীয়ে বিগত ৪ টা বছৰে বিভাগীয় অভিযন্তা আৰু কৰ্মচাৰীৰ সৈতে আন্তৰিকতাৰে কাম কৰি থকা বুলি মন্তব্য কৰে। অৱশ্যে একে দিনাই অসমৰ অন্যতম মূল সমস্যা বানপানী আৰু খহনীয়াক নাইকীয়া কৰাটো সম্ভৱপৰ নহয় যদিও বিভাগে ধেমাজি, মাজুলী, লখিমপুৰ, মৰিগাঁওৰ স্পৰ্শকাতৰ অঞ্চলসমূহ বাচনী কৰি বিগত চাৰে তিনিটা বছৰে কাম কৰি আছে। বিগত ৩ টা বছৰে ধেমাজি জিলা আগৰ দৰে বাৰিষাৰ সময়ত ৰাজ্যৰ বাকী প্ৰান্তৰ পৰা বিচ্ছিন্ন হ'বলগা হোৱা নাই বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে বান আৰু খহনীয়াক প্ৰাথমিকতা প্ৰদান কৰি কাম কৰাৰ বাবে ৰাজ্যখনত বান বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। কৃষিৰ লগতে উদ্যোগ গঢ় লৈ উঠাৰ ক্ষেত্ৰতো বানপানী এক হেঙাৰ হিচাপে থিয় দিয়ে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ বাবে বহু পৰিমাণে বান নিয়ন্ত্ৰণ হোৱাত ৰাইজে খেতি কৰ্মত সফল হোৱাৰ লগতে ৰাজ্যলৈ বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি হৈছে বুলি জলসম্পদ মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। সম্পূৰ্ণ মেধাৰ ভিত্তিত ডেৰ লাখ প্ৰাৰ্থীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰাকে ধৰি ৰাজ্য চৰকাৰৰ অৰুণোদয়, মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই আদি জনকল্যাণমূলক আঁচনিসমূহৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে বক্তব্য ৰাখে। জোনাইৰ পৰা জলসম্পদ মন্ত্ৰীগৰাকীয়ে বগীবিল ঢকুৱাখনা হৈ মাজুলীলৈ যাত্ৰা কৰে আৰু মাজুলীৰ লুইত খাবলু অঞ্চলত সোঁৱণশিৰি নদীৰ পাৰত নতুনকৈ নিৰ্মাণ কৰিব লগা প্ৰায় ১৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। এই উপলক্ষে স্থানীয় ৰাইজক উদ্দেশ্যি ৰখা বক্তব্যত মন্ত্ৰী হাজৰীকাই কয় যে বিগত লোকসভা নিৰ্বাচনত তেওঁ দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই লুইত খাবলুত সোঁৱণশিৰি নদীৰ পাৰত ২৪ কোটি টকাৰ ব্যয়েৰে ১৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ আন্তৰিকতাৰ বাবেই মাজুলীৰ ৰাস্তা-পথৰ দ্ৰুত উন্নয়ন সম্ভৱপৰ হৈছে বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰীকাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে প্ৰতিশ্ৰুতি প্ৰদান কৰি আখৰে আখৰে প্ৰতিশ্ৰুতি পালন কৰে। বিগত বাৰিষাত মাজুলীৰ যুগুণীধাৱীত ব্ৰহ্মপুত্ৰৰ মথাউৰি বিচ্ছিন্ন হোৱাৰ সময়ত জলসম্পদ বিভাগে দিনে ৰাতিয়ে কাম কৰি মথাউৰি মেৰামতি কৰা বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰীকাই কয় যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰখনৰ আন্তৰিকতা থকাৰ বাবেহে মাজুলীত চিঙাৰ মাথো ২০/২২ টা দিনৰ ভিতৰতে বিভাগে ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ মেৰামতি সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। আনহাতে অৰুণোদয়ৰ দৰে আঁচনিৰে সৰ্বসাধাৰণক আৰ্থিক সকাহ দিবলৈ প্ৰয়াস কৰি অহা চৰকাৰখনে বিগত সময়ত কোনো ধৰণৰ দুৰ্নীতি নোহোৱাকৈ মাথো তিনিটা বছৰতে ডেৰ লাখ চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰাটো একপ্ৰকাৰৰ অভিলেখ বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এইবেলি ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰৰ উদ্যোগত জলসম্পদ বিভাগে প্ৰায় ৩৪২ কোটি টকাৰ বাজেটেৰে ২৪৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ নতুন মথাউৰি বনাবলৈ আৰম্ভ কৰা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনত আৰু প্ৰায় ১৫০ কিল'মিটাৰ মথাউৰি নিৰ্মাণ কৰিলে মথাউৰি নোহোৱা স্থান কতো নাথাকিব। মন্ত্ৰী হাজৰীকাৰ এই অনুষ্ঠানসূচীত জোনাইত সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগু আৰু মাজুলীত বিধায়াক ভূবন গামে সংগ দিয়ে।

## ENGLISH NEWS SECTION

# Assam Governor inaugurates Hans Renal Care Centre and Red Cross Physiotherapy Centre




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya inaugurated the "Hans Renal Care Centre" at Red cross Hospital in Guwahati. The dialysis unit is established through a collaboration between the Hans Foundation and the Indian Red Cross Society (IRCS), Assam State Branch, to provide free-of-cost renal care services to patients. , marking a significant step in accessible healthcare. Speaking on the occasion, the Governor thanking the Hans Foundation and the Indian Red Cross Society (IRCS), Assam State Branch for their humanitarian services said that their benevolence would go a long way in helping the needy to enajoy health and happiness. The Governor stating that 'the first wealth is a healthy body' emphasized the importance of health in Indian tradition. He said, If we are healthy, our society is healthy, and our nation is healthy. Health forms the foundation of all happiness." He lauded the healthcare initiatives under the leadership of Prime Minister Shri Narendra Modi, highlighting schemes like Ayushman Bharat and state programs such as the Atal Amrit Abhiyan and Chief Minister's Free Diagnostics Service. He described these initiatives as transformative measures benefiting the needy across the country.

## Satwik and Chirag advance to semifinals in Malaysia Open



RB News: Star Indian men's doubles pair of Satwiksairaj Rankireddy and Chirag Shetty made it to the semifinals of the Malaysia Open. The duo secured a gritty win over the Yew Sin Ong and Ee Yi Teo duo in a hard-fought battle on Friday, January 10. The Indian duo took down the Malaysian pair 26-24, 21-15 in a 49-minute long battle.

## 30 young leaders meet Governor




Guwahati,RB News: A delegation of 30 young leaders of the state under the banner of "Viksit Bharat Young Leaders Dialogue" called on Governor Shri Lakshman Prasad Acharya at Raj Bhavan here this evening. The delegation, comprising students from various parts of the state, is set to fly to New Delhi to participate in a program at Bharat Mandapam on January 11, 2025. Interacting with the young leaders, the Governor underscored the pivotal role the youth can play in shaping the nation's future. He said, "Your innovative ideas and fresh perspectives will significantly contribute to India's journey towards becoming a developed nation. The youth of this country hold the power to steer India towards reclaiming its glory as Vishwaguru." The Governor also highlighted to the young leaders India's rich legacy of knowledge and wisdom, stating, "India has always been recognized as a global knowledge powerhouse, respected for its ideals and lifestyle. Today, the world is adopting practices that India has upheld for centuries. This is the moment for you to showcase your talent, potential, and determination to bring pride to both the nation and Assam."

## Mandhana fastest Indian woman cricketer to reach 4,000 ODI runs



RB News: Smriti Mandhana scripted her name in the history books as she became the fastest Indian woman to reach 4000 runs in One-Day Internationals. She reached the 4,000-run mark in ODI cricket in just 95 innings. Mandhana achieved this milestone during India's first ODI against Ireland on January 10 at the Saurashtra Cricket Association Stadium in Rajkot. She is now the 15th woman in the world to surpass the 4000-run mark in ODIs and only the second Indian to do so, after Mithali Raj.

## Martin Guptill retires from international cricket



RB News: Martin Guptill has officially retired from international cricket. It brings an end to a 13-year career for the 38-year-old in which he featured in 367 games (198 ODIs, 122 T20Is and 47 Tests). He finishes as the highest T20I scorer for New Zealand with 3531 runs and the third-highest scorer for the country in the ODI format with 7346 runs, behind Ross Taylor and Stephen Fleming. He registered 23 centuries in international cricket (3 Tests, 18 ODIs, 2 T20Is) and made his last appearance for New Zealand in an ODI against Australia in September 2022.

## India fast bowler Varun Aaron retires from all forms of cricket



RB News: Fast bowler Varun Aaron, who clocked 150 kmph and represented India in 18 international matches between 2011 and 2015, has retired from all forms of cricket. In a heartfelt post on Instagram, Aaron shared, "For the past 20 years, I have lived, breathed, and thrived on the rush of bowling fast. Today, with immense gratitude, I officially announce my retirement from representative cricket. Fast bowling has been my first love, and though I step off the field, it will always be a part of who I am."

# ছবি চাই ভালপোৱা মানুহ

আৰু চঞ্চল ছবিৰ এক স্পষ্ট আভাস।

খনিন দাসৰ এক্ৰিলিক মাধ্যমত অঁকা ছবি ‘Resonance of Solution’ ত আমি দেখা পাও জীৱনে গতি লোৱা আৰু তাৰ প্ৰসাৰিত ৰূপক। ঠিক যেন ফৰাচী শিল্পী আঁৰি মাতিছৰ দৰে। জীৱন প্ৰত্যাহ্বানেৰে পূৰ্ণ। মানুহ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব খোজে। সেয়েহে ইয়াৰ সৈতে জড়িত প্ৰতিজন মানুহেই উজ্জ্বল আৰু সমৃদ্ধ হৈ থাকিব খোজা মানুহ।

অসমীয়া শিল্পীৰ কেনভাচে যদি জীৱনৰ ৰং আৰু ছন্দক তুলি ধৰিছে, তেনেহলে ত্ৰিদিব দত্ত, ত্ৰিদিব শৰ্মা, ৰাতুল চন্দ্ৰ গগৈ, মনোজ শৰ্মাৰ শিল্পকৰ্মত আমি ত্ৰিবিমীয় স্থানত মানুহৰ অস্তিত্বৰ খবৰ পাইছোঁ। যোৰহাটৰ শিল্পী ত্ৰিদিব দত্তই তেওঁৰ শিল্প কৰ্মত বাৰ্বাৰা হেপৱৰ্থ বা হেনৰী মূৰৰ দৰে এখন জগতৰ সৃষ্টি কৰিব খুজিছে। গিয়াকমেত্তি বা ব্ৰাঁকুচিৰ দৰে তেওঁ বাচি লৈছে সৰল আৰু মৌলিক ৰূপবোৰক। তেওঁ দেখুৱাব খুজিছে জীৱনৰ দৃঢ়তা বা নিৰৱিচ্ছিন্নতাক। উলম্ব বা হেলনীয়াকৈ অৱস্থিত কেউটা অৱয়বত আছে এক মানৱীয় চেতনা (consciousness)ৰ এক বিশেষ খবৰ। মনৰ ক্ৰিয়াসুলভতা (playfulness of the mind) তেঁওৰ এই শিল্পকৰ্মৰ এক বিশেষ শক্তি। মনোজ শৰ্মাৰ লেদাৰৰ মাধ্যমত উপস্থাপন কৰা জোতা তিনিপাত যেন ভেন গঘৰ জোতাকেই প্ৰাসংগিক কৰি তুলি লোৱাৰ একবিংশ শতিকাৰ এই সময়ত কৰা এক প্ৰয়াস। তেওঁৰ প্লাষ্টাৰ পেৰিচ আৰু প্লাই উডত মুখবোৰ মৰ্মস্পৰ্শী। কোনে পাহৰিব পাৰে ত্ৰিদিব শৰ্মাৰ বহি থকা মানুহ দুজন। এই মানুহ কেইজন সমকালীন মানুহৰ চেতনা আৰু অস্তিত্বৰ পীড়াৰে ৰঞ্জিত। আন এগৰাকী তৰুণী শিল্পী পৰিশ্মিতা বৰ্মনৰ কেনভাচত আমি দেখা পাওঁ দুগৰাকী নাৰী। তেওঁলোকে কি কথা পাতিছে, সেয়া জনা নাযায়। কিন্তু দুয়ো ভিন্ন পৰিস্থিতি আৰু উপলব্ধিৰ মাজেৰে অহা মানুহ। দেখাত সম্পৰ্কটো সহানুভূতি আৰু আন্তৰিকতাৰ। কিন্তু পৰিস্থিতি জটিল আৰু কণ্টক জৰ্জৰিত। সম্পৰ্ক স্থাপনৰ প্ৰয়াস আছে। দুয়োৱে ক'ৰবাত কাৰোবাক এৰি আহিছে। ছবিখনে মনত পেলাব পাৰে মণিপুৰত আজি বহুদিন সংঘটিত হৈ থকা গোষ্ঠীগত সংঘৰ্ষৰ মাজেৰে পাৰ হৈ অহা মানুহখিনিৰ স্মৃতি।

অসমীয়া চিত্ৰশিল্পৰ এই পৰিক্ৰমাই মানৱ মনৰ প্ৰকাশিকা শক্তিক আমাৰ আগত তুলি ধৰে । জীৱন আৰু জগতৰ সৈতে আমাৰ সম্পৰ্ক, বিভিন্ন খবৰ আৰু পাৰ হৈ যোৱা সময়খিনিক এই শিল্পই সযতনে ধৰি ৰাখিছে। আহিবলৈ ওলোৱা সময়বোৰক এই মনে শিল্পৰ যোগেদি জাতিটোক এক শূণ্যতা আৰু পূৰ্ণতাৰ দৰ্শন দিব খুজিছে। বৌদ্ধ দৰ্শনে জীৱনৰ তাৎপৰ্যক শূণ্যতাৰ মাজেৰে চাবলৈ বিচাৰে। এই শূণ্যতাই সাৰবস্তু (essence)ক অস্বীকাৰ কৰে। অৰ্থাৎ কিবা এটা বস্তু যদি আমি দেখিছো, তেনেহলে আন এটা বস্তুৰ কথাও লগে লগে আহি পাৰিছে। অৰ্থাৎ এটা বস্তু আনটোৰ লগত সম্পৰ্কিত। শিল্পও দৰাচলতে মানুহৰ প্ৰয়োজনীয়তাৰ সৈতে সম্পৰ্কিত। মানুহৰ অন্যান্য কথাবোৰৰ মাজেৰেহে ইয়াৰ কথা আহে। শিল্প আছে কাৰণেই মানুহ আছে। শিল্প চেতনা আছে কাৰণেই মানৱীয় চেতনা আছে।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286